সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ,২৪ সংখ্যা, ১আহাৰ, ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 30: Issue No.24 Date Of Publication - 16 June 2024 Rs.10.00/-

## ৰাজ্যৰ ৫গৰাকী সাহিত্যিকলৈ সাহিত্য অকাডেমি বঁটা



ৰঙিলী বাৰ্ত্তাসেৰা- সাহিত্য অকাদেমিয়ে ঘোষণা কৰা ২০২৪ বৰ্ষৰ শিশু-সাহিত্য আৰু যুৱ বঁটা শিতানত ৫গৰাকী অসম সন্তানে সন্মান লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। শিশু সাহিত্য পুৰস্কাৰ শাখাত অসমীয়া ভাষা শিতানত বঁটা লাভ কৰিছে বিশিষ্ট ঔপন্যাসিক তথা তেজপুৰ নিৱাসী ৰঞ্জু হাজৰিকা আৰু বড়ো ভাষা শিতানত কোকৰাঝাৰৰ ভাৰ্জিন জেক'ভা মীসাহাৰীয়ে। একেদৰে চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ অসমীয়া ভাষা শিতানত বঁটা লাভ কৰিছে নলবাৰীৰ যুৱ সাহিত্যিক, চিকিৎসক ডাঃ নয়নজ্যোতি শৰ্মাই। বড়ো ভাষা শিতানত বঁটা লাভ কৰিছে খৈৰাবাৰীৰ গল্পকাৰ, লেখিকা ছেল্ফ মেড ৰাণী বড়ো আৰু বাংলা ভাষা শিতানত শিলচৰৰ কবি সুতপা চক্ৰৱৰ্তীয়ে। বঁটাপ্ৰাপকসকলক পৰৱৰ্তী সময়ত আয়োজিত হ'বলগীয়া বিশেষ অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি সাহিত্য অকাডেমি কৰ্তৃপক্ষই সদৰী কৰিছে। অসমৰ ৫ গৰাকী সাহিত্যিকে সাহিত্য অকাডেমিৰ পৰা লাভ কৰা স্বীকৃতিৰ পাছতে ৰাজ্যজুৰি আনন্দৰ ধল বৈছে। বিশেষকৈ আঢ়ৈশখন শিশু সাহিত্যকে ধৰি ৭০০ৰো অধিক গ্ৰন্থ ৰচনা কৰি চাৰিটা দশক সাহিত্য সাধনা কৰা ৰাজ্যখনৰ বিশিষ্ট সাহিত্যিক ৰঞ্জু হাজৰিকালৈ চলিত বৰ্ষৰ সাহিত্য অকাডেমিৰ শিশু সাহিত্য বঁটা আগবঢ়োৱাত উৎফুল্লিত হৈ পৰিছে সাহিত্যিকগৰাকীৰ বাসস্থান তেজপুৰৰ লগতে সমগ্ৰ ৰাজ্য। ২০১৯ চনত ৰচনা কৰা 'বিপন্ন বিস্ময় খেল' শীৰ্ষক শিশু উপন্যাসখনৰ বাবে সাহিত্যিকগৰাকীলৈ সাহিত্য অকাডেমিৰ চলিত বৰ্ষৰ শিশু সাহিত্য বঁটা আগবঢ়োৱা হৈছে। বড়ো ভাষাৰ শিশু কাব্যপুথি 'বুহুমা বইনিবী'ৰ বাবে চলিত বৰ্ষৰ সাহিত্য অকাডেমি শিশু সাহিত্য পুৰস্কাৰ আগবঢ়োৱা হৈছে বড়ো ভাষাৰ বিশিষ্ট লেখিকা ভাৰ্জিন জেক'ভা মীসাহাৰীলৈ। বিশিষ্ট লেখিকাগৰাকী এই বঁটাৰ বাবে নিৰ্বাচিত হোৱাত কোকৰাঝাৰত আনন্দৰ বন্যা বৈছে। মুঠ ৮২টা কবিতাৰে সমৃদ্ধ উক্ত কাব্য সংকলনখন ২০১৯ চনত বড়ো সাহিত্য সভাই প্ৰকাশ কৰিছিল। সাহিত্য অকাডেমিৰ চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ শাখাত অসমীয়া শিতানত বঁটা লাভ কৰা ডাঃ নয়নজ্যোতি শৰ্মা নলবাৰী চহৰৰ কলেজ চ'কৰ বাসিন্দা তথা অৱসৰপ্ৰাপ্ত শিক্ষক খনীন্দ্ৰ শৰ্মা আৰু শিক্ষয়িত্ৰী ঊষাদেৱীৰ পুত্ৰ। সম্প্ৰতি নলবাৰীতে আয়ুৰ্বেদিক চিকিৎসক হিচাপে শুশ্ৰূষা হাস্পতালত কৰ্মৰত হৈ থকা নয়নজ্যোতি শৰ্মাই 'জাল কটা জুই' শীৰ্ষক গল্প সংকলনখনৰ বাবে যুৱ বঁটাৰ বাবে নিৰ্বাচিত হৈছে। ইতিপূৰ্বে উক্ত গল্প সংকলনখনৰ বাবে তেওঁ মুনীন বৰকটকী বঁটাও লাভ কৰিছে। 'ছাইখলুম' শীৰ্ষক বড়ো ভাষাৰ চুটিগল্প সংকলনৰ বাবে চলিত (দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব।

লিখনি সমূহ WhatsApp - 9854215286
Email - rongilibartamedhi@gmail.com
যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta




## লাচিত বৰফুকন স্মাৰক প্ৰকল্প পৰিদৰ্শন কৰে মুখ্যমন্ত্ৰীয়ে



ৰঙিলী বাৰ্ত্তাসেৰা- শিৱসাগৰৰ পৰা টীয়কৰ হোলোঙাপাৰস্থিত ঐতিহাসিক লাচিত বৰফুকন স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পত উপস্থিত হৈ প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ৰ কামৰ অগ্ৰগতিৰ বুজ লয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। যোৱা ৯ মাৰ্চত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্মিত লাচিত বৰফুকন স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ প্ৰথম পৰ্যায়ত সংস্থাপিত কৰা জাতীয় বীৰজনাৰ সুউচ্চ প্ৰতিমূৰ্তি উন্মোচন কৰাৰ পাছতে প্ৰকল্পটোৰ দ্বিতীয় পৰ্যায়ৰ কামো ক্ষিপ্ৰগতিত চলি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰী কৰে। এই সন্দৰ্ভত সাংবাদিকৰে হোৱা বাৰ্তালাপত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, লাচিত বৰফুকন স্মাৰক আৰু সাংস্কৃতিক প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কাম-কাজ জোৰদাৰ গতিত চলি আছে। প্ৰতিমূৰ্তিৰ কাষতে নিৰ্মাণ কৰা দুটাকৈ টাই সংগ্ৰহালয় প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশত। এই সংগ্ৰহালয় হ'ব বিশ্বমানৰ। একেদৰে অত্যাধুনিক প্ৰেক্ষাগৃহ, শিশুৰ উপযোগীকৈ পাৰ্ক, তিনিখনকৈ হেলিপেড আদিৰ কামো তীব্ৰগতিত আগবাঢ়িছে। প্ৰকল্পটোত শেহতীয়াকৈ তেওঁ এখন ইনড'ৰ ষ্টেডিয়াম নিৰ্মাণৰো চিন্তা-চৰ্চা কৰা বুলি অৱগত কৰে আৰু অহা ডিচেম্বৰ মাহত নহ'লে ২০২৫ বৰ্ষৰ এপ্ৰিল মাহত সমগ্ৰ প্ৰকল্পটো ৰাইজৰ বাবে মুকলি কৰি দিব পৰা যাব বুলিও তেওঁ মতপোষণ কৰে। ইপিনে শেহতীয়াকৈ নিৰ্মাণৰত যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে বহুচৰ্চিত ৰাষ্ট্ৰীয় ঘাইপথছোৱা চাৰিলেনযুক্তভাৱে অহা ডিচেম্বৰ মাহত সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিতি প্ৰদান কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়-উল্লিখিত পথছোৱাৰ যিহেতু নকৈ নিবিদা সম্পন্ন হোৱাৰ পাছত (দহ পৃষ্ঠাত চাওক)

## 'নীট' দুৰ্নীতিত গ্ৰেপ্তাৰ হোৱা লোকৰ পৰা ৯ কোটিৰ বেংক চেক জব্দ




ৰঙিলী বাৰ্ত্তাসেৰা- 'নীট' পৰীক্ষাত হোৱা দুৰ্নীতিৰ অভিযোগত গুজৰাটৰ পৰা পাঁচগৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা এই পাঁচ অভিযুক্তৰ পৰা আৰক্ষীয়ে জব্দ (দহ পৃষ্ঠাত চাওক)

# অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে পেমা খাণ্ডুৱে




ৰঙিলী বাৰ্ত্তাসেৱা- একেৰাহে তৃতীয়বাৰৰ বাবে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে পেমা খাণ্ডুৱে। ৰাজ্যপাল অৱসৰপ্ৰাপ্ত লেফটেনেন্ট জেনেৰেল কে টি পাৰ্ণাইকে দৰ্জী খাণ্ডু কনভেনশ্যন হলত পেমা খাণ্ডুক শপত বাক্য আৰু গোপনীয়তাৰ পাঠ কৰোৱায়। পেমা খাণ্ডুৰ পিচতে চাউনা মিনে উপ মুখ্যমন্ত্ৰী হিচাবে শপত গ্ৰহণ কৰে। এই শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, কিৰেন ৰিজিজু তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে। তদুপৰি বিজেপিৰ কেন্দ্ৰীয় পৰ্যবেক্ষক ৰবিশংকৰ প্ৰসাদ আৰু তৰুণ চুগ, অৰুণাচল প্ৰদেশ পূব লোকসভাৰ নৱনিৰ্বাচিত সাংসদ তাপীৰ গাৱৰ লগতে অসমৰ নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহালো উপস্থিত থাকে পেমা খাণ্ডুৰ শপত গ্ৰহণ অনুষ্ঠানত।

# মহানগৰীৰ অমৃত উদ্যানত যোগ শিবিৰৰ আয়োজন



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ দেশজুৰি অহা ২১ জুনত অনুষ্ঠিতব্য আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ সৈতে সংগতি ৰাখি ৰাজ্য চৰকাৰৰ আয়ুষ সঞ্চালকালয় আৰু ৰাষ্ট্ৰীয় আয়ুষ মিছন, অসমৰ উদ্যোগত কামৰূপ মহানগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সমীপৰ অমৃত উদ্যানত এক যোগ শিবিৰ অনুষ্ঠিত হয়। যোগ শিবিৰ উদ্বোধন কৰি কামৰূপ মহানগৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱানে (দহ পৃষ্ঠাত চাওক)

# অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিলে এন চন্দ্ৰবাবু নাইডুৱে

ৰঙিলী বাৰ্ত্তাসেৱা- অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে তেলুগু দেশম পাৰ্টীৰ মুৰব্বী এন চন্দ্ৰবাবু নাইডুৱে শপত গ্ৰহণ কৰে। তেওঁৰ পাচত জনসেনা পাৰ্টিৰ মুৰব্বী পৱন কল্যাণে অন্ধ্ৰপ্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। উল্লেখ কৰা প্ৰয়োজন যে, পৱন কল্যাণে ২০০৮চনত ৰাজনীতিত প্ৰৱেশ কৰিছিল। কিন্তু শাৰিৰিক অসুস্থতাৰ বাবে মাজতে কিছুদিন ৰাজনীতিৰ পৰা বিৰতি লৈছিল পৱন কল্যাণে। ১৯৯৬চনত দক্ষিণৰ ছবিজগতত প্ৰৱেশ কৰা পৱন কল্যাণে বহু ছুপাৰহিট ছবি উপহাৰ দিছে। ২০১৪চনত পৱন কল্যাণে জন সেনা পাৰ্টিৰ জন্ম দিছিল। চন্দ্ৰবাবু নাইডুৰ লগতে তেওঁৰ ২৪ জন সতীৰ্থই মন্ত্ৰীসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অন্ধ্ৰ প্ৰদেশৰ গৱৰ্ণৰ এছ আব্দুল নাজীৰে আটাইকে শপত বাক্য পাঠ কৰোৱায়। চন্দ্ৰবাবু নাইডু ১৯৯৫ চনত প্ৰথমবাৰৰ



বাবে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছিল আৰু ২০০৪ চনলৈকে একেৰাহে ৯ বছৰ ৰাজ্যখনৰ নেতৃত্ব দিছিল। ২০১৪ চনত অন্ধ্ৰ প্ৰদেশৰ পৰা তেলেংগানা পৃথক হোৱাৰ পাচত তেওঁ দ্বিতীয়বাৰৰ বাবে অন্ধ্ৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰি ২০১৯ চনলৈকে কাৰ্যনিৰ্বাহ কৰে। নাইডুৰ শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, কেন্দ্ৰীয় পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰী, কেন্দ্ৰীয় কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডী, কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী বণ্ডী সঞ্জয় কুমাৰৰ লগতে আন কেইবাজনো কেন্দ্ৰীয় মন্ত্ৰীয়ে অংশগ্ৰহণ কৰে। ইয়াৰ উপৰি তেলেংগানাৰ প্ৰাক্তন গৱৰ্ণৰ তামিলিছাই সৌন্দৰ্যৰাজন, কেন্দ্ৰীয় মন্ত্ৰী ৰামমোহন নাইডু, অভিনেতা চিৰঞ্জীৱী, ৰজনীকান্ত, নন্দমুৰি বালকৃষ্ণইও টিডিপিৰ মুৰব্বীগৰাকীৰ শপত গ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে।

# দৰঙৰ ১ নং অভয়পুখুৰী আয়ুষ্মান আৰোগ্য মন্দিৰলৈ ৰাষ্ট্ৰীয় স্বীকৃতি




ৰঙলী বাৰ্ত্তাসেৱা- দৰং জিলা স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় পৰ্যায়ত পুনৰ এক বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। জলজলী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ ১ নং অভয়পুখুৰী আয়ুষ্মান আৰোগ্য মন্দিৰে ৰাষ্ট্ৰীয় পৰ্ঞ্জয়্যায়ৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ পূৰ্বে খান্দাজান আয়ুষ্মান আৰোগ্য (দহ পৃষ্ঠাত চাওক)

# নামৰূপত ২৫ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যখনৰ সেউজ শক্তি উৎপাদন ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত এক বৃহৎ পদক্ষেপ বুলি ল'ব পাৰি। ১৪ জুনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২৫ মেগাৱাট ক্ষমতাৰ সৌৰ শক্তি উৎপাদন প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে ডিব্ৰুগড় জিলাৰ নামৰূপ তাপ বিদ্যুৎ কেন্দ্ৰৰ চৌহদত। অসম শক্তি উৎপাদন নিগম আৰু অইল ইণ্ডিয়া লিমিটেডৰ যৌথ উদ্যোগৰ সহযোগত এই প্ৰকল্পটো ১০৮ একৰ মাটিত বিস্তৃত হ'ব আৰু ইয়াৰ বাবে ৫০ লাখ টকা খৰচ হোৱাৰ সম্ভাৱনা আছে। ১১৫ কোটি টকাৰ প্ৰকল্পৰ বাবে ব্যয় কৰা হব। ২০২২ চনৰ ১৯ আগষ্টত ৰাজ্যিক কেবিনেটে অনুমোদন জনোৱা সৌৰ প্ৰকল্পটোৱে প্ৰতি বছৰে ৫ কোটি ইউনিট বিদ্যুৎ উৎপাদন কৰাৰ সংকল্প কৰা হৈছে আৰু ইয়াৰ নিৰ্মাণ ২০২৫ চনৰ জুলাই মাহৰ ভিতৰত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। আধাৰশিলা স্থাপন অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আৰু কয় যে ২০২১ চনত মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ সময়ত ৰাজ্যখনত বিদ্যুতৰ শীৰ্ষ ঘণ্টাত চাহিদা ১৮০০ মেগাৱাট আছিল যদিও এতিয়া সেই একেই ২৫০০ মেগাৱাটলৈ বৃদ্ধি পাইছে। সমগ্ৰ ৰাজ্যতে উদ্যোগৰ সংখ্যা বৃদ্ধি আৰু বিদ্যুৎবিহীন গাঁওসমূহৰ বিদ্যুৎকৰণলৈ। ৰাজ্যখনে নিজাববীয়াকৈ মাত্ৰ ৪১৯ মেগাৱাট শক্তি উৎপাদন কৰে যাৰ ফলত দৈনিক প্ৰায় ২১০০ মেগাৱাট শক্তি ক্ৰয় কৰা হয় বুলিও তেওঁ কয়। নামৰূপত সৌৰশক্তি প্ৰকল্পৰ দৰে পদক্ষেপে ৰাজ্যখনৰ বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধি কৰিব আৰু ৰাজ্যৰ বাহিৰৰ পৰা ক্ৰয় কৰা শক্তিৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰাত যথেষ্ট অৰিহণা যোগাব বুলিও তেওঁ লগতে কয়। আজিলৈকে ৰাজ্যখনত মুঠ ৭ টা সৌৰশক্তি প্ৰকল্প কাৰ্যক্ষম হৈ আছে (দহ পৃষ্ঠাত চাওক)

# ভাৰতীয় সেনাৰ পৰৱৰ্তী মুৰব্বী হ'ব লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদী



ৰঙিলী বাৰ্তাসেৰা- দেশৰ নতুন সেনাপ্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদীক। তেওঁ হ'ব জেনেৰেল মনোজ পাণ্ডেৰ উত্তৰাধিকাৰী হ'ব। বৰ্তমান ভাৰতীয় সেনাৰ সহকাৰী প্ৰধান (ভাইচ চীফ অব আৰ্মী ষ্টাফ বা ভিচিঅ'এএছ) পদত আছে লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদী। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ ফালৰ পৰা জনোৱা হৈছে যে আগন্তুক ৩০ জুনত অৱসৰ ল'ব জেনেৰেল মনোজ পাণ্ডেই। আৰু সেইদিনাই লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে গ্ৰহণ কৰিব কাৰ্যভাৰ। ভাৰতৰ ৩০ সংখ্যক সেনাপ্ৰধান হিচাপে লেফটেনেণ্ট জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে দেশৰ উপ সেনা-প্ৰধান, উত্তৰ সেনাৰ কমাণ্ডাৰ, ডিজি ইনফেণ্ট্ৰী আৰু আন একাধিক পদত কাৰ্যনিৰ্বাহ কৰাৰ পিছত এই নতুন দায়িত্ব গ্ৰহণ কৰিবলৈ সাজু হৈছে। পূৰ্বতে উপেন্দ্ৰ দ্বিবেদীয়ে চীনা আৰু পাকিস্তান সীমান্তত নিৰাপত্তাৰ খাতিৰত চলা একাধিক অভিযানত অংশগ্ৰহণ কৰিছিল। ১৯৮৪ চনত ভাৰতীয় সেনাৰ জম্মু আৰু কাশ্মীৰ ৰাইফলছ ৰেজিমেণ্টেত ছেকেণ্ট লেফটেনেণ্ট পদত যোগদান কৰিছিল লেফটেনেণ্ট জেনেৰেল দ্বিবেদীয়ে। 'নেচনেল ডিফেন্স একাডেমী' আৰু 'ইণ্ডিয়ান মিলিটেৰী একাডেমী'ৰ প্ৰাক্তন এইগৰাকী বিষয়াই পূৰ্বে 'ডেপুটী চীফ অব আৰ্মী ষ্টাফ' আৰু 'ডিৰেক্টৰ জেনেৰেল অব ইনফেণ্ট্ৰী'ৰ দৰে গুৰুত্বপূৰ্ণ পদত সেৱা আগবঢ়াইছে।

# মাজুলীত ধঁপাত বিৰোধী সজাগতা সভা সম্পন্ন



ৰঙিলী বাৰ্তাসেৰা- মাজুলী জিলা ধপাঁত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত মধ্য মাজুলী পাৰিজাত উঃমাঃ বিদ্যালয়ত এখনি ধপাঁত বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। মাজুলীৰ পীতাম্বৰদেৱ গোস্বামী জিলা চিকিৎসালয়ৰ উপ অধীক্ষক তথা মাজুলী জিলা ধপাঁত নিয়ন্ত্ৰণ কোষৰ নডেল বিষয়া ডাক্তৰ মানিক মিলিয়ে উক্ত সজাগতা সভাত অংশ গ্ৰহন কৰি মুখ্য অতিথিৰ ভাষণ প্ৰদান কৰে । সভাত মধ্য মাজুলী পাৰিজাত উ:মা বিদ্যালয়ৰ অধ্যক্ষ, ধপাঁত নিয়ন্ত্ৰণ কোষৰ উজনি মণ্ডল বিষয়া ঋষিৰ প্ৰসাদ শৰ্মা, কাউন্সিলৰ তুকুমনি দত্ত, কবি- সাংবাদিক পাপু বৰাকে আদি কৰি কেইবাজনো ব্যক্তিয়ে অংশ গ্ৰহণ কৰে ।

# অম্বুবাচী মেলা উপলক্ষে বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিৰে কামৰূপ (ম) জিলা প্ৰশাসনৰ বৈঠক



ৰঙিলী বাৰ্তাসেৰা- অহা ২২ জুনৰ পৰা মহানগৰীৰ শক্তিপীঠ মা কামাখ্যা ধামত অনুষ্ঠিত হ'বলগীয়া অম্বুবাচী মেলা উপলক্ষে আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ সভাকক্ষত অতিৰিক্ত জিলা আয়ুক্ত বিশ্বজিৎ শইকীয়াৰ সভপতিত্বত অম্বুবাচী মেলাৰ সৈতে জড়িত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰে এখন বৈঠক অনুস্থিত হয়। অম্বুবাচী মেলাত সংশ্লিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে নিজৰ ইচ্ছা অনুসৰি যিকোনো স্থানত খাদ্য অথবা খোৰা-পানী যোগান ধৰিব নোৱাৰিব বুলি বৈঠকত স্পষ্ট কৰি দিয়া হয় । জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষেহে নিৰ্দিষ্ট স্থানত সংশ্লিষ্ট অনুষ্ঠান - প্ৰতিষ্ঠানসমূহে তেনে ব্যৱস্থা কৰিব পাৰিব বুলি অতিৰিক্ত জিলা আয়ুক্ত গৰাকীয়ে সদৰি কৰে। তদুপৰি নিৰ্ধাৰিত প্ৰত্যেক স্থানত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ বিষয়া -কৰ্মচাৰী উপস্থিত থাকিব। অম্বুবাচীৰ সময়ত একাংশ ভক্তই মহানগৰীৰ বশিষ্ঠ মন্দিৰত আশ্ৰয় লোৱাৰ প্ৰতি লক্ষ্য ৰাখি চলিত বৰ্ষৰ পৰা বশিষ্ঠ মন্দিৰ কৰ্তৃপক্ষয়ো সংশ্লিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানসমূহক বিনামূলীয়া খাদ্য আৰু খোৱা পানীৰ যোগানৰ বাবে অনুৰোধ জনোৱাৰ কথা অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে সদৰি কৰে। উল্লেখযোগ্য যে প্ৰতিবছৰে নীলাচল পাহাৰৰ বুকুত শক্তিপীঠ মা কামাখ্যা মন্দিৰত অনুষ্ঠিত অম্বুবাচী মেলালৈ আগমন ঘটা অগণন ভক্তক বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে বিনামূলীয়াকৈ খাদ্য আৰু খোৱা পানীৰ যোগান ধৰাৰ এক পৰম্পৰা অব্যাহত আছে। ইপিনে, আগন্তুক অম্বুবাচী মেলাত খোজকাঢ়ি যোৱা ভক্তক ডিছপ'জেবল চেন্দেল (Disposable chappal) যোগান ধৰিব বিচৰা ইচ্ছুক অনুষ্ঠান বা ব্যক্তিবিশেষক জিলা প্ৰশাসনে আদৰণী জনাব বুলি এই বৈঠকতে অতিৰিক্ত জিলা আয়ুক্ত বিশ্বজিৎ শইকীয়াই জানিবলৈ দিয়ে।

# ট্ৰান্সজেন্দাৰৰ সমস্যাক লৈ সভা



ৰঙিলী বাৰ্তাসেৰা- জনতা ভৱনৰ নিজ কাৰ্যালয়ৰ সভাকক্ষত সমাজ কল্যাণ আৰু সৰলীকৰণ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই ট্ৰান্সজেণ্ডাৰ কল্যাণ বোৰ্ডৰ এখন বৈঠকত অধ্যক্ষতা কৰে। ট্ৰান্সজেণ্ডাৰসকলে সন্মুখীন হৈ অহা বিভিন্ন অসুবিধা সন্দৰ্ভত এই সভাত আলোকপাত কৰি তেওঁলোকৰ সমস্যাসমূহ সমাধান কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ সন্দৰ্ভত সভাখনত মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে ।

# বাংলাদেশ সীমান্তত চোৰাং চিকাৰীৰ ১২ টা বাৰ্মিজ গৰু উদ্ধাৰ



ৰঙিলী বাৰ্তাসেৰা- এটা গোপন সূত্ৰৰ পম খেদি সীমান্ত ৰক্ষী বাহিনীৰ মিজোৰাম কাছাৰ সীমান্ত সংমণ্ডলৰ জোৱানে কাছাৰ আৰক্ষীৰ সহায়ত কাছাৰ জিলাৰ কাটিগৰা সীমান্তত এটা অভিযান চলায়। এই অভিযানত এজন চোৰাংচিকাৰীৰ সৈতে এখন টাটা ট্ৰাকৰ পৰা ১২ টা বাৰ্মিজ গৰু জব্দ কৰা হয় । এই গৰু কেইটা বাংলাদেশ লৈ পাচাৰ কৰিবৰ বাবে লৈ যোৱা হৈছিল।

# অম্বুবাচী মেলাত কামৰূপ (ম)ত পৰীক্ষা অনুস্থিত নকৰিবলৈ শিক্ষা বিভাগৰ নিৰ্দেশ

ৰঙিলী বাৰ্তাসেৰা- আগন্তুক অম্বুবাচী মেলাৰ সময়ছোৱাত কামৰূপ মহানগৰ জিলাৰ অধীনস্থ সকলো চৰকাৰী, প্ৰাদেশিককৃত আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়ৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ কামৰূপ মহানগৰ জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা মিছন সমন্বয়কে নিৰ্দেশনা জাৰি কৰিছে। এই সংক্ৰান্তত জিলা শিক্ষা বিষয়াগৰাকীয়ে বিদ্যালয়সমূহৰ অধ্যক্ষ তথা প্ৰধান শিক্ষককলৈ জাননী জাৰি কৰিছে। নিৰ্দেশনাটোত লগতে উল্লেখ কৰা হয় যে যদিহে কোনো বিদ্যালয়ে এই সময়ছোৱাত পৰীক্ষাৰ সময়সূচী ইতিমধ্যে প্ৰকাশ কৰিছে তেন্তে বিদ্যালয়প্ৰধানে পুনৰ নতুন সময়সূচী প্ৰকাশ কৰিব লাগিব । উল্লেখযোগ্য যে শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা ২৬ জুনলৈ অম্বুবাচী মেলা অনুষ্ঠিত হ'ব ।

# NEET-UG পৰীক্ষাৰ ফলাফলৰ অনিয়মৰ বিৰুদ্ধে গুৱাহাটীত ABVPৰ প্ৰতিবাদ




ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ গুৱাহাটী মহানগৰে গুৱাহাটীৰ দীঘলীপুখুৰীৰ পাৰত NEET-UG ২০২৪ পৰীক্ষা প্ৰক্ৰিয়াৰ সময়ত উত্থাপিত অনিয়ম সমূহৰ ওপৰত চি.বি.আই.ৰ তদন্তৰ দাবী জনাই তীব্ৰ আন্দোলন সাব্যস্ত কৰে। এই সমগ্ৰ পৰীক্ষা প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পৰাই দেশৰ বিভিন্ন প্ৰান্তৰ পৰা গাফিলতিৰ তথ্য পোহৰলৈ আহি বুলি ধৰে, বহু কেন্দ্ৰত প্ৰশ্নকাকত বিতৰণৰ সময়তো অনিয়ম উন্মোচিত হৈছিল। ইয়াৰ ওপৰিও NEET পৰীক্ষাৰ ফলাফলৰ সময়তো বহু লোকে এটা পৰীক্ষা কেন্দ্ৰৰ পৰা সৰ্বাধিক নম্বৰ পোৱাৰ খবৰে পুনৰ সমগ্ৰ পৰীক্ষা ব্যৱস্থাত প্ৰশ্নবোধক চিহ্ন উত্থাপন কৰিছিল। এবিভিপি গুৱাহাটী মহানগৰ সম্পাদক স্বপ্নীল হালৈয়ে প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি কয়

(দহ পৃষ্ঠাত চাওক)

# ভাৰতীয় লঘু (ক্ষুদ্ৰ)উদ্যোগ উন্নয়ন বেংকৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত ভাৰতীয় লঘু (ক্ষুদ্ৰ) উদ্যোগ উন্নয়ন বেংকে এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত তেওঁলোকে সাংবাদিকৰ আগত কয় যে স্থানীয় শিল্পী তথা আত্ম সহায়ক গোট, মহিলা আৰু ক্ষুদ্ৰ উদ্যোগী সকলক সবলীকৰণ কৰি স্বাৱলম্বিতাৰ বাবে তথা আৰ্থিক ঋণ প্ৰদান কৰি আহিছে। আৰু এইবেলিও তেওঁলোকক সহায় সহযোগিতা কৰাৰ কাৰণে অহা ১৪-১৮ জুনলৈ চিডবি স্বাৱলম্বন মেলা ২০২৪, গুৱাহাটীৰ দিছপুৰৰ নেডফি কনভেঞ্চন চেন্টাৰত অনুষ্ঠিত কৰিব। ইয়াত সকলোবোৰ বিনামূলীয়া হ'ব। অনুষ্ঠানত তেওঁলোকৰ কেবাগৰাকীও গুৰুতত্বপূৰ্ন বিষয় ববীয়া উপস্থিত থাকিব। সংবাদ মেলত ভাৰতৰ ক্ষুদ্ৰ উদ্যোগিক বিকাশ বেংকৰ উপ মহা প্ৰবন্ধক প্ৰদীপ কুমাৰ নাথৰ লগতে কেইবাজনো বিশিষ্ট লোক উপস্থিত থাকে।

# তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈয়ে কৃষক নিধিৰ ফাইলত অনুমোদন নৰেন্দ্ৰ মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী কাৰ্যালয়লত উপস্থিত হয় নৰেন্দ্ৰ মোদী। প্ৰধানমন্ত্ৰী হিচাপে তৃতীয়বাৰ দায়িত্ব লৈ নৰেন্দ্ৰ মোদীয়ে প্ৰথমটো ফাইলত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰীয়ে কাৰ্যালয়ত উপস্থিত হৈ কিষাণ নিধি আঁচনিৰ এটা গুৰুত্বপূৰ্ণ ফাইলত স্বাক্ষৰ কৰে। প্ৰধানমন্ত্ৰীয়ে স্বাক্ষৰ কৰা কিষাণ নিধি আঁচনিত নথিভুক্ত কৃষকসকলে ১৭তম কিস্তিৰ ধন লাভ কৰিব। দেশৰ প্ৰায় ৯.৩ কোটি কৃষক ইয়াৰ ফলত উপকৃত হ'ব আৰু প্ৰায় ২০,০০০ কোটি টকা বিতৰণ কৰিব। পি এম কিষাণ সন্মান নিধি আঁচনিৰ ফাইলত চহী কৰাৰ পিছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, 'কৃষকসকলৰ উন্নয়নত আমাৰ চৰকাৰ সদায় নিয়োজিত। দায়িত্ব লোৱাৰ পিছত সেয়ে কৃষকসকলৰ উন্নয়নৰ সৈতে সম্পৰ্কিত ফাইলত চহী কৰা কৰা হৈছে। ভৱিষ্যতেও আমি কৃষক আৰু কৃষি ক্ষেত্ৰৰ বাবে আৰু অধিক কাম কৰিব বিচাৰো।'২০১৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে প্ৰধানমন্ত্ৰী কিষাণ নিধি আঁচনি আৰম্ভ কৰিছিল কেন্দ্ৰীয় চৰকাৰে। প্ৰধানমন্ত্ৰী হিচাপে তেওঁৰ পূৰ্বৰ দুটা কাৰ্যকালত আয়ুষ্মান ভাৰত, প্ৰধানমন্ত্ৰী জন ধন যোজনা, সকলোৰে বাবে গৃহ নিৰ্মাণ, প্ৰধানমন্ত্ৰীশ্ৰম যোগী মান ধন যোজনা, উজ্জ্বলা যোজনা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, উৰান আৰু মেক ইন ইণ্ডিয়াকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছিল।

# মুম্বাইত উদ্ধাৰ অভিনেত্ৰীৰ মৃতদেহ



ৰঙিলী বাৰ্ত্তাসেৱা- বলীউদ অভিনেত্ৰী কাজলৰ ৱেব ছিৰিজ 'দ্য ট্ৰায়েল' ফেম অভিনেত্ৰী নুৰ মালৱিকা দাসৰ মৃত্যু। মুম্বাইৰ ফ্লেটত উদ্ধাৰ হৈছে মডেল তথা অভিনেত্ৰী নুৰ মালবিকা দাসৰ মৃতদেহ। অভিনেত্ৰীগৰাকীৰ নশ্বৰ দেহ মুম্বাইৰ এটা ফ্লেটৰ ফেনত ওলমি থকা অৱস্থাত উদ্ধাৰ কৰা হৈছে। প্ৰাৰম্ভিক তদন্তত আৰক্ষীয়ে এয়া আত্মহত্যা বুলি সদৰি কৰিলেও বৰ্তমানলৈকে চলি আছে ঘটনাৰ সন্দৰ্ভত তদন্ত। মুম্বাইৰ লোখণ্ডৱালাস্থিত এটা ফ্লেটত অকলেই বাস কৰিছিল অসমৰ অভিনেত্ৰীগৰাকীয়ে। নুৰ মালৱিকা দাস এগৰাকী ভাৰতীয় অভিনেত্ৰী আৰু কেইবাখনো ৱেব ছিৰিজ, টিভি ছিৰিয়েল আৰু বলীউদৰ ছবিত অভিনয় কৰিছে। নিজৰ সৌন্দৰ্য আৰু অভিনয়ৰ জৰিয়তে মানুহৰ হৃদয়ত স্থান দখল কৰিবলৈ সক্ষম হৈছিল নুৰে। কেইবাদিনো ধৰি ঘৰৰ পৰা ওলাই নহাৰ বাবে চুবুৰীয়াই সন্দেহ কৰি আৰক্ষীক খবৰ দিয়ে আৰু আৰক্ষীয়ে আহি উদ্ধাৰ কৰে মালবিকাৰ নশ্বৰ দেহ।

# কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীক সাক্ষাৎ গৌৰৱ গগৈৰ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৰহাটৰ নৱ নিৰ্বাচিত সাংসদ গৌৰৱ গগৈয়ে নতুন দিল্লীৰ ১০ জনপথত কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীক সাক্ষাৎ কৰে। এই সৌজন্যমূলক সাক্ষাৎকালত সাংসদ গগৈয়ে কয় যে সদ্য সমাপ্ত লোকসভা নিৰ্বাচনত সমগ্ৰ দেশতে প্ৰিয়ংকা গান্ধীয়ে এক সবল আৰু বিশেষ ভূমিকা গ্ৰহণ কৰিলে। নিৰ্বাচনী প্ৰচাৰ সভা সমূহত তেওঁ দিয়া প্ৰতিটো ভাষণতেই দেশৰ প্ৰতিজন কংগ্ৰেছ কৰ্মীৰ মনৰ ভাব ফুটি উঠিছিল আৰু সৰ্বসাধাৰণৰ সমস্যাই অগ্ৰাধিকাৰ পাইছিল। তেওঁলোকৰ কথোপকথনত প্ৰিয়ংকা গান্ধীয়ে নিৰ্বাচনী প্ৰচাৰৰ বাবে তিতাবৰলৈ অহাৰ কথা স্মৰণ কৰে। কংগ্ৰেছ নেত্ৰী গৰাকীয়ে কয় যে ইমান বৰষুণ আৰু বেয়া বতৰৰ মাজতো উক্তদিনটোত যেনেদৰে তিতাবৰত হাজাৰ হাজাৰ ৰাইজে তেওঁৰ বাবে অপেক্ষা কৰি আছিল আৰু ৰেলীত উপস্থিত হৈ সহযোগিতা আৰু আশীৰ্বাদ প্ৰদান কৰিছিল সেইয়া স্মৰণীয় হৈ ৰ'ব। সাংসদ গগৈয়ে তিতাবৰৰ ৰেলীত উপস্থিত থাকি তেওঁৰ নিৰ্বাচনী প্ৰচাৰত সহায় কৰাৰ বাবে নেত্ৰীগৰাকীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে আৰু অতি সোনকালেই দলীয় কাৰ্য্যসূচীৰ বাবে শ্ৰীমতী গান্ধী অসমত উপস্থিত হ'ব বুলি আশা প্ৰকাশ কৰে।

# গুৱাহাটী উচ্চ ন্যায়ালয়-জিলা আদালত চৌহদত "ন' ফ্লাই জ'ন" ঘোষণা




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী উচ্চ ন্যায়ালয় চৌহদ তথা গুৱাহাটী জিলা আদালত চৌহদক সামৰি তাৎক্ষণিক ভাৱে কাৰ্যকৰী হোৱাকৈ "ন' ফ্লাই জ'ন" হিচাপে ঘোষণা কৰিছে কামৰূপ মহানগৰ জিলা দণ্ডাধীশে। এই ব্যৱস্থা পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব।

# অম্বুবাচী আৰু শক্তিপীঠ কামাখ্যাধাম

**অলকা বুজৰবৰুৱা, টিহু**

হিন্দু ধৰ্মৰ এক বিশেষ ধৰ্মীয় উৎসৱ হ'ল অম্বুবাচী। প্ৰতি বছৰে আহাৰ মাহত ভাৰতত অম্বুবাচী পালন কৰা হয়। অম্বুবাচী শব্দটো 'অম্বু' আৰু 'বাচি' শব্দ দুটা লগ হৈ গঠিত হৈছে। অম্বু শব্দৰ অৰ্থ পানী আৰু বাচি শব্দৰ অৰ্থ উৎফুলন। এই উৎসৱ প্ৰধানতঃ কৃষি কৰ্মৰ লগত জড়িত। অৰ্থাৎ আহাৰ মাহত বৰষুণে মাটিক প্ৰজননৰ বাবে উৰ্বৰা কৰি তোলে যাতে প্ৰকৃতি শস্য সম্ভৱা হ'ব পাৰে। হিন্দু ধৰ্মৰ ই এক বছৰেকীয়া ধৰ্মোৎসৱ। জনবিশ্বাসমতে আহাৰ মাহত মা ধৰিত্ৰী ঋতুমতী হয় আৰু সেই সময়ত হিন্দু ধৰ্মৰ লোক সকলে অম্বুবাচী পালন কৰে।



আহাৰ মাহৰ মৃগশিৰা নক্ষত্ৰৰ চতুৰ্থ পাদত আৰম্ভ হৈ আদ্যা নক্ষত্ৰৰ প্ৰথম পাদত ই অন্ত পৰে। যিহেতু এই সময়ছোৱাত ধৰিত্ৰী ঋতুমতী হোৱা বুলি বিশ্বাস কৰা হয় সেয়ে এই সময়ছোৱাত হাল বোৱা, বা কোনো ধৰণৰ মাংগলিক কাৰ্য সমাপন কৰা নহয়। এই সময়ছোৱাত তিনিদিনৰ বাবে মঠ, মন্দিৰৰ দুৱাৰ বন্ধ থাকে, অৰ্থাৎ কোনো ধৰণৰ পুজা- পাতাল বা ধৰ্মীয় কাম-কাজ কৰা নহয়।

অম্বুবাচীৰ লগত আন কিছুমান লোকবিশ্বাসো জড়িত হৈ আছে। যেনে কাৰোবাৰ পিতৃ মাতৃ, নাইবা স্বামীৰ মৃত্যু হ'লে প্ৰথম বছৰটোত সেইদিনকেইটাত উপবাসে থাকি মাত্ৰ ফলাহাৰ কৰি চাৰিদিনৰ দিনাহে ভাত খোৱাৰ নিয়ম। আকৌ নাৰীসকল সেইসময়ত ঋতুমতী হোৱাৰ সময় হ'লে আগতে কুঁৱা বা পুখুৰীৰ পৰা পানী তুলি থৈ তিনিদিনৰ দিনা সেই পানীৰেহে গা ধুবলৈ দিয়া হয়। প্ৰয়োজনীয় কাপোৰৰ বাহিৰে আন কাপোৰ কানি বোৰ নিলগাই ৰখা হয়। অম্বুবাচীৰ নিবৃত্তিৰ দিনা সেইকেইদিনত ব্যৱহাৰ হোৱা কাপোৰবোৰ ধুইহে ব্যৱহাৰ কৰা হয়। পাকঘৰৰ সকলো বাচন বৰ্তন বাহিৰ উলিয়াই আনি ধোৱা হয় আৰু সেই কেইদিন ব্যৱহাৰ কৰি থৈ যোৱা নিমখ, হালধি আদিবোৰ পেলাই দিয়া হয়। অৱশ্যে বৰ্তমান এই নিয়মবোৰ কিছু লঘূকৰণ হৈছে।

অম্বুবাচীৰ লগত সংগতি ৰাখি গুৱাহাটীৰ কামাখ্যা মন্দিৰত অম্বুবাচী মেলা হয়। পবিত্ৰ ভাৰত ভূমিৰ ৫১ টা শক্তিপীঠৰ ভিতৰত কামাখ্যা মন্দিৰ অন্যতম। নীলাচল পাহাৰৰ বুকুত অৱস্থিত এই মন্দিৰটোক মহাশক্তিপীঠ আখ্যা দিয়া হৈছে।

কথিত আছে যে দেৱী পাৰ্বতীৰ পিতৃ দক্ষ ৰজাই যজ্ঞ স্থলীত অসংখ্য লোকৰ উপস্থিতিত স্বামী শিৱক অপমান কৰা বাবে তেওঁ লাজে অপমানে যজ্ঞ স্থলীতে প্ৰাণত্যাগ কৰে। তাকে দেখি শিৱ অত্যন্ত ক্ৰোধিত হৈ পৰে আৰু দেৱীৰ মৃতদেহটো কান্ধত লৈ তাণ্ডৱ নৃত্য কৰি ফুৰিবলৈ ধৰিলে। তেতিয়া বিষ্ণুৱে বিশ্ব-ব্ৰহ্মাণ্ড ধ্বংস হোৱাৰ ভয়ত নিজৰ সুদৰ্শন চক্ৰৰে সতীৰ দেহটো খণ্ড বিখণ্ড কৰে। সতীৰ দেহৰ বিভিন্ন অংগ যিবোৰ ঠাইত পৰিছিল তাতেই একোখন শক্তিপীঠ গঢ়ি উঠা বুলি বিশ্বাস কৰা হয়। নীলাচল পাহাৰৰ উক্ত অঞ্চলটোত হেনো সতীৰ যোনী অংশ পৰিছিল। সেয়েহে দেৱী কামাখ্যাৰ ঋতুস্ৰাৱৰ প্ৰতীক হিচাবে প্ৰতি বছৰে কামাখ্যা ধামত অম্বুবাচী পালন কৰি অহা হৈছে।

বিশ্বাস মতে দেৱী ঋতুমতী হোৱাৰ আগতেই মন্দিৰৰ গৰ্ভ গৃহত চাৰিওফালে বগা বস্ত্ৰ মেলি দিয়া হয়। তিনি দিনৰ পাছত যেতিয়া মন্দিৰৰ দুৱাৰ খুলি দিয়া হয় তেতিয়া হেনো কাপোৰ খিনি ৰঙচুৱা অৱস্থাত পোৱা যায়। কাহিনী মতে মা কামাখ্যা ঋতুমতী হোৱাৰ বাবেই এনে হয়। পিছত এই কাপোৰবোৰ ভক্তসকলৰ মাজত প্ৰসাদ হিচাবে বিতৰণ কৰা হয়।

অম্বুবাচীৰ প্ৰবৃত্তিৰ লগে লগে কামাখ্যা ধামৰ দুৱাৰ দৰ্শনাৰ্থীৰ বাবে বন্ধ কৰা হয়। সেইদিনটোৰ পৰা চাৰিদিনলৈ দেৱীৰ দৰ্শন তথা পূজা পাতাল নিষিদ্ধ। চতুৰ্থ দিনৰ দিনা দেৱীৰ স্নান, পূজা পৰ্বাদি সম্পন্ন হোৱাৰ পিছতহে দেৱীৰ দৰ্শন কৰা হয়।

ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা আনকি বিদেশৰ পৰাও অহা লাখ লাখ ভক্তই সেই তিনি দিন কামাখ্যা ধামৰ চৌপাশে থাকি নাম কীৰ্তন কৰি দেৱী বন্দনা কৰি থাকে। নিবৃত্তিৰ দিনা পাণ্ডাসকলে ভক্ত সকললৈ ৰক্ত বৰ্ণৰ কাপোৰ আগবঢ়াই।এই বস্ত্ৰ শৰীৰত ধাৰণ কৰিলে অভীষ্ট সিদ্ধি হয় বুলি প্ৰবল জনবিশ্বাস আছে।

ধৰ্মীয় দিশটোৰ বাহিৰেও অম্বুবাচীৰ আন এটা উল্লেখযোগ্য দিশ ও আছে। ইয়ে ভাৰতীয় সংস্কৃতিৰ ধাৰাটোক এটা জাতিৰ পৰা আন এটা জাতিলৈ বোঁৱাই নিয়াত সহায়ক হয়। সেয়েহে ক'ব পাৰি যে কামাখ্যা ধামৰ অম্বুবাচী মেলাই আন্তৰ্জাতিক তথা জাতীয় সম্প্ৰীতি বজাই ৰখাত যথেষ্ট অৰিহনা যোগাইছে।

# এদিন সুখ এদিন দুখ পৰিৱৰ্তন প্ৰকৃতিৰ নিয়ম

**শৈলেন কুমাৰ, মিৰ্জা**



সূৰ্য্য উদয় হৈ জগত পোহৰ কৰি যিদৰে অন্ধকাৰ কৰি অৱশেষত অস্ত যায়, ঠিক তেনেদৰে পোহৰৰ পিছত অন্ধকাৰ প্ৰকৃতিৰ নিয়ম। যদি ভালদৰে বিশ্লেষণ কৰি চোৱা যায় প্ৰকৃতিত কোনো বস্তু চিৰস্থায়ী নহয়। কেতিয়াবা যদি ভাল আৰু খন্তেক পিছতে বেয়া। মানুহৰ জীৱনটো এদিন যদি সুখ পৰৱৰ্তী মুহূৰ্ততে দুখ। আমি সাধাৰণতে অজ্ঞানতাৰ কাৰণে সুখত মতলীয়া হৈ আত্মহাৰা হওঁ নহয়নে? কিন্তু হব পাৰে পৰৱৰ্তীকালত দুখ আমাৰ ওচৰতে কৰবাত ঘাট পাতি বৈ আছে। জ্ঞানীজনে কেতিয়াও সুখত মতলীয়া নহয় আৰু দুখত ভাঙি নপৰে কাৰণ সুখৰ পাছত দুখ আৰু দুখৰ পাছত সুখ এয়া চিৰসত্য প্ৰকৃতিৰ নিয়ম। কিন্তু আমি বিচাৰোঁ সুখ চিৰস্থায়ী হোৱা, দুখ যাতে আমাৰ ওচৰত কাহিনীও নাহে, কিন্তু নিয়তিক জানো কোনোবাই বাধা দি ধৰি ৰাখিব পাৰিব? আমি জীৱনত সুখকে প্ৰাধান্য দিলোঁ, দুখ আমাৰ মুঠেই সহ্য নহয়। কিন্তু ভাৱিচাওকচোন দুখৰ অবিহনে সুখৰ কিবা অস্তিত্ব আছে নেকি? কাল ধুমুহা পাৰ হোৱাৰ পাছত প্ৰকৃতি হওক অথবা জীৱন কেনেকৈ নৰূপত ঠন ধৰি উঠে। আচলতে সুখ কি? আৰু দুখ কি? সমস্যা বিহীন, সংগ্ৰাম বিহীন নিৰোগী আমোদপ্ৰমোদৰ জীৱন এটাক আপুনি সুখী জীৱন বুলি অভিহিত কৰে নেকি? যদি কৰে আপোনাৰ কৰবাত ভুলো হব পাৰে। আৰামী সংগ্ৰাম বিহীন জীৱন এটাই আপোনাক এলেহুৱা কৰিব পাৰে কিন্তু প্ৰকৃত সুখ দিব নোৱাৰে। তেতিয়া হ'লে প্ৰকৃত সুখ কি? যিটো চিৰস্থায়ী, মন নিৰ্মল কৰি নিস্বাৰ্থভাৱে সমাজৰ হ'কে নিজকে উচৰ্গিত কৰি দিয়াটো সুখৰ সংজ্ঞা হব পাৰে। যদিহে আপোনাৰ সৎসাহস আছে নিজৰবাবে নহয় দেশমাতৃৰ বাবে সমাজৰ হ'কে দেশতকৈ মোমাই ডাঙৰ নহয় বুলি কৈ লাচিতৰ দৰে তৰ্জনগৰ্জন কৰিব পাৰে তেতিয়া হ'লে আপুনি প্ৰকৃত সুখৰ গৰাকী হব পাৰে। সাধাৰণ জীৱনযাপন জন্তুবোৰেও কৰে কিন্তু মানুহ হোৱাৰ গৰিমা আৰু অহংকাৰ নিজৰ বাবে নহয় আন দহৰ বাবে জীয়াই থকাহে। কেতিয়াবা নিজৰ ব্যক্তিগত স্বাৰ্থবোৰ দূৰত ৰাখি আনৰ বাবে জীয়াই থাকিবলৈ শিকক তেতিয়া অনুভৱ হব প্ৰকৃত সুখ কি? আৰু দুখ কি? জংঘলত পশুৱে সংগ্ৰাম কৰে নিজৰ পেটৰ আৰু পৰিয়ালৰ বাবে কিন্তু পশুৱে জানো সুখদুখ উপলব্ধি কৰিব জানে? এবাৰ বিবেকেৰে মানুহ হোৱাৰ চেষ্টা কৰি সন্তোষীয়া সুখদুখ পৰিহাৰ কৰি পৰম সুখৰ অধিকাৰী হোৱাৰ যোগ্যতা অৰ্জন কৰোঁ আহক।

# জীৱনৰ সংজ্ঞা বিচাৰি

**যমুনা দুলু বৈশ্য, শুৱালকুছি**



অন্তৰ বিদাৰি শব্দৰে সজাই
মুক্ত কণ্ঠে ক'বলৈ উৰি ফুৰে
বুকু উজাৰি কবলৈ তোমাক
ঋতুৰ বতৰতে মেটমৰা তৰা ফুলৰ
সপোন গজে গোপনে মনৰ শিলালিপিত।
জীৱন সংগ্ৰামৰ সাগৰ বোৱাই
অন্তৰত জাগে প্ৰণয়ৰ এভুমুকি
হাহি আৰু কান্দোন মিশ্ৰণৰ
অনুভূতিৰ আশাৰে গাঁথে মালিতা।
জীৱনৰ সংজ্ঞা বিচাৰি
ভয় আৰু সংশয় বুকুৰ কঁপনিৰ
স্তব্ধতাৰে খেপিয়াই জোনাক পাবলৈ
বয় থাকে সংগোপনে নৈ, নিজৰাৰ দৰে
বুকুত বাৰমাহৰ সোঁতত দেহত তপত উশাহ।
প্ৰতিচ্ছবিৰে সময় আৰু পৰিবেশ
এক গোপনে জাগ্ৰত কৰে মানচিত্ৰৰ
চিত্ৰপটত প্ৰতিধ্বনিৰে বাজি থাকে
ওভতনি অবিৰাম যাত্ৰাৰে।

# প্ৰত্যাহ্বান

অনামিকা(সংগীতা) কলিতা, শুৱালকুছি



ঃ মণি উঠ আকৌ, গা পা ধুই ল! পৰ্দাখন গুচাই মনোৰমাই খিৰিকীখন মেলি দিলে। এসোতা চেঁচা বতাহ তাইৰ গালে মুখে স্পৰ্শ কৰিলে। তাই চকু কেইটা মুদি তেনেকৈ কিছু সময় খিৰিকীৰ কাষতে থিয় হৈ থাকিল।

ঃ মা, কি চাই আছা এনেকৈ ?

ঃ মণিৰ মাতত, মাক মনোৰমা বাস্তৱলৈ ঘুৰি আহিল। একো নহয় বুলি, তাই জীয়েকক হুইল চেয়াৰখনত বহাই দি গাধোৱা ঠাইলৈ লৈ গ'ল। ক'লে-আজি বেছি দেৰি নকৰিবা, সোনকালে যাব লাগিব! দেউতাৰাই ড্ৰাইভাৰক ফোন কৰিছে, অলপ পিছতে সি আহিব।

ঃ হ'ব বুলি, মণিয়ে মাকক যাৱলৈ দি নিজৰ কাম খিনি তাই নিজে কৰিলে। গা- ধুই থাকোতে, তাই ভাবিলে তাইৰ দৰে বিশেষ ভাৱে সক্ষম ছোৱালী এজনীৰ কাৰণে মাক দেউতাকে কিমান কষ্ট কৰিব লগা হৈছে। ওচৰৰ চুবুৰীয়া মানুহৰ কেতিয়াবা তাচ্ছিল্য মন্তব্য শুনিবলগীয়া হৈছে। খোজ কাঢ়িব নোৱাৰা ছোৱালী এজনীৰ লগত ইমান কষ্ট কৰি থাকিব নালাগে ইত্যাদি, মানুহবোৰৰ মনোভাৱ। তথাপিও সেইবোৰ আওকাণ কৰি, মাক দেউতাকে তাইৰ কাৰণে সকলো ত্যাগ কৰিব প্ৰস্তুত আৰু কৰি আহিছে। আজি মাক -দেউতাকৰ আশীৰ্বাদত তাই সাহিত্য একাডেমি বঁটা লাভ কৰিব সক্ষম হৈছে। এনেকৈ ভাবি থাকোতেই, কেতিয়ানো তাইৰ হাতৰ পৰা মগটো সৰি পৰিল তাই গমকে নাপালে। ততাতৈয়াকৈ তাই নিজৰ কাম খিনি কৰি উঠিল। মাক- দেউতাকক তাই সেৱা জনালে। তেওঁ লোকৰো চকুত চকুপানী, এয়া আনন্দৰ অশ্ৰু। চুবুৰীয়া, আত্মীয় মানুহ খিনিও আহিল শুভেচ্ছা দিবলৈ। ঘৰখনত আনন্দৰ বন্যা বৈ গ'ল। ইতিমধ্যে গড়ীখনো আহি পালে ।

# আন্তৰ্জাতিক পিতৃ দিৱসঃএটি আলোকপাত



নাছিৰ আহমেদ, শিমলাবাৰী ,গোৱালপাৰা

প্ৰথমতে ১৯০৮ চনত ওৱেষ্ট ভাৰ্জিনিয়াৰ মাইনিং দুৰ্ঘটনাত মৃত্যুবৰণ কৰা পিতৃ সকলক সুঁৱৰি আমেৰিকাৰ মনোগাহ নামৰ ঠাইত পিতৃ দিৱস পালন কৰা হৈছিল। তাৰপিছত আমেৰিকা যুক্তৰাষ্ট্ৰৰ YEMCৰ ওৱাছিংটনৰ স্পকেন ( Spokane) চিভিল যুদ্ধৰ মহান নেতা উইলিয়াম জেকচন স্মাৰ্টৰ ২৭ বছৰীয়া জীয়েক আৰকানছাছৰ (Arkansas) ছ'নোৰা স্মাৰ্ট ডডে এদিন এখন গীৰ্জাৰ যাজকে মাতৃৰ অৱদানৰ বিষয়ে সুন্দৰ সুন্দৰ উদাহৰণেৰে বক্তৃতা প্ৰদান কৰা শুনি আৱেগিক হৈ পৰিছিল। তেতিয়াই ছ'নোৰা স্মাৰ্ট ডডে তেওঁৰ পিতৃৰ অপৰিসীম অৱদানৰ কথা ভাৱি পিতৃ দিৱস পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। কাৰণ, তেওঁৰ পিতৃয়ে প্ৰিয়তমা পত্নীৰ মৃত্যুৰ পিছত ছজন সন্তানক পিতৃ আৰু মাতৃৰ মৰম আৰু ভালপোৱা দি লালন পালন কৰিছিল । সেইজন পিতৃৰ আত্মত্যাগক উপযুক্ত সন্মান প্ৰদৰ্শন কৰিবলৈ ছ'নোৰা স্মাৰ্ট ডডে ১৯১০ চনৰ ৫ জুনত পিতৃৰ জন্মৰ দিনটোক পিতৃ দিৱস ৰূপে উদযাপন কৰাৰ বাবে Spokane Ministerial alliance ক নিবেদন কৰাত পৰৱৰ্তী আলোচনা মৰ্মে তেতিয়াৰ পৰাই আমেৰিকা যুক্তৰাষ্ট্ৰকে ধৰি পৃথিৱীৰ প্ৰায় ১১১খন দেশে জুন মাহৰ তৃতীয়টো দেওবাৰে পিতৃ দিৱস উদযাপন কৰি আহিছে। ১৯১৩ চনত মাৰ্কিন সংসদে পিতৃ দিৱসৰ ছুটিৰ দিন হিচাপে গণ্য কৰিবলৈ এটি বিল উত্থাপন কৰে। ১৯২৪ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ক্যালভিন কুলিজে এই বিলটিক সমৰ্থন কৰে। অৱশেষত ১৯৬৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি লিণ্ডন বি জনছনে এটি ইস্তাহাৰ প্ৰকাশ কৰি প্ৰতি বছৰে জুন মাহৰ তৃতীয় দেওবাৰে আন্তৰ্জাতিক পিতৃ দিৱস উদযাপন কৰাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে। ১৯৭২ চনত সৰ্বসন্মতিক্ৰমে আন্তৰ্জাতিক পিতৃ দিৱসৰ দিনা ছুটিৰ দিন হিচাপে গ্ৰহণ কৰা হয়। সেই হিচাপে ২০২৪ চনৰ জুন মাহৰ তৃতীয়টো দেওবাৰে অৰ্থাৎ ১৬ জুনত পৃথিৱীৰ সকলো দেশেই মহা সমাৰোহেৰে আন্তৰ্জাতিক পিতৃ দিৱস উদযাপন কৰাৰ বাবে সম্পূৰ্ণ প্ৰস্তুতি লৈছে। আন্তৰ্জাতিক পিতৃ দিৱসৰ অফিচিয়েল ফুল হ'ল ৰঙা গোলাপ। ৰঙা গোলাপে পিতৃৰ অকৃত্ৰিম নিস্বাৰ্থ প্ৰেম আৰু সাহচৰ্য প্ৰদান কৰাৰ প্ৰতীকৰূপে ব্যৱহাৰ কৰা হয়।

পিতৃ হৈছে পৰিয়ালৰ বটবৃক্ষ-সম। সমাজৰ বান্ধোন অটুট ৰাখে পিতৃয়ে। পিতৃয়ে সদায় পৰিয়াল প্ৰতিৱেশী আৰু সমাজৰ লগত ভাল সম্পৰ্ক বজাই ৰাখে। তেওঁ সদায় সন্তানক সকলো কামত সহায় কৰাৰ উপৰিও ভাল আচৰণ বিধি, মানৱীয় গুণসমূহ আৰু নৈতিকতাৰ শিক্ষা দান কৰে। নিঃসন্দেহে পিতৃ সকল শ্ৰেষ্ঠ শিক্ষাদাতা। তেওঁলোকে সন্তানক ঘৰৰ সকলো কাম নিয়াৰিকৈ সজাই পৰাই চলাবলৈ শিক্ষাদান কৰে। তেওঁলোকে দীৰ্ঘ সময় ধৰি পৰম্পৰাগত ভাবে লাভ কৰা গভীৰ জ্ঞান সন্তানক দান কৰে। সাধাৰণতে পিতৃ সকল বহুত ধৈৰ্যশীল হয়। তেওঁলোকে সন্তানৰ সকলো আব্দাৰ ধৈৰ্যৰ সৈতে পালন কৰে।

প্ৰত্যেক জন সন্তানে তেওঁলোকৰ পিতৃক আজি বিভিন্ন ভাবে সন্মান প্ৰদৰ্শন কৰা উচিত, গানেৰে, (আঠপৃষ্ঠাত চাওক)

# কৃত্ৰিম

মিহিৰ মৌচুম ৰয়



ৰাতিটো একাষৰীয়া কৰি থৈ
ওলাই অহা সূৰ্য্যটোলৈ চালে এনে লাগে
কোনোবাই যেন সাজি এৰি দিছে
আকাশলৈ দুৰ্বাৰ ইচ্ছাৰে
আহো নাহো কৈ হুৰহুৰাই অহা
আপদীয়া বৰষুণজাক
কোনোবাই যেন সজাই পৰাই পঠিয়াই দিয়ে
আমাৰ কাষলৈ
এই যে বন্ধ কোঠালিত আৱদ্ধ বতাহজাকৰ কণ্ঠত
নীৰৱতাৰ হেঁপাহবোৰ বৈ বৈ উচুঁপি থাকে
মুকলি হৈ বব খোজে ক্ৰমাৎ হেৰাই গৈ থকা
পথাৰেৰে
ঐতিহাসিক নৈখন খান্দি খান্দি
মানুহে ন-কৈ সাজিলে
উশাহ সলনি কৰিব নোৱাৰি
গুজৰি গুমৰি গাওঁ-চহৰ ভাঙে
এই যে আমাৰ ইচ্ছাবোৰ, মনবোৰ, সপোনবোৰ
সকলো সাজি লোৱা
যেনেকৈ মোৰ কবিতাৰ শব্দবোৰ
সাজি সাজি
সাজি উলিওৱা।

# হেৰোৱা মৰম

মানসী মিশ্ৰ



বিষণ্ণতাৰ গধূলি
মই বহি ৰৈছিলোঁ
মোৰ চিনাকি পদূলিটোত
গাত তীৱ কঁপে জ্বৰ
দুচকু সেমেকি উঠিছিল
কোনোবা খিনিত কণ্ঠৰুদ্ধ
হৈ মাথোঁ বহি ৰৈছিলোঁ মই
আপোন ঘৰখন বিচাৰি
মনটো উৰি যাব খুজিছিল
মনটো বিলীন হ'ব খুজিছিল,
নীড়মুখী পখীৰ জাকটোৰ সতে।
এৰা, বিষণ্ণতাৰ গধূলি বেলা
ভাগৰুৱা শৰীৰটো একাকাৰ
ভাগৰুৱা মনটোৰ সতে,
উভতি যাব খোজে মনটো
এৰি অহা আলফুল মৰম বিচাৰি।
স্মৃতিৰ বোকাচাত লীণ হ'ব খোজা
মনটোক ধৰিলোঁ মৰমেৰে সাৱটি।


জনতাৰ চৰকাৰ
my GOV मेरी सरकार
सत्यमेव जयते
অসম চৰকাৰ
আৰ্তজনৰ কাষত অসম চৰকাৰ
প্ৰগতিৰ দিশত ৰাজ্য আমাৰ
১০ তাৰিখ
পেঞ্চন আৰু অৰুণোদয়ৰ দিন
JANASANYOG- 104/24/16-June-24
উপকৃত হিতাধিকাৰী
৪৩,৮০,৭৪১
প্ৰতিমাহে ধন আদায়
৩৮৪.৬২ কোটি
প্ৰতিমাহৰ ১০ তাৰিখে হিতাধিকাৰীৰ একাউণ্টলৈ প্ৰাপ্য ধন
ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন
আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনিও
অৰুণোদয় আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে
অৰুণোদয়
শ্বহীদ কুশল কোঁৱৰ বৃদ্ধ পেঞ্চন
ৰাষ্ট্ৰীয় দিব্যাংগ, বিধৱা আৰু বৃদ্ধ পেঞ্চন আঁচনি
আঁচনিসমূহ
তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত
Connect with us @diprassam
dipr.assam.gov.in

# আন্তৰ্জাতিক পিতৃ দিৱস

কবিতাৰে, অভিনয়, চিত্ৰ-কলা অঙ্কণ, প্ৰবন্ধ ৰচনা কৰি পিতৃ দেৱতাক সমাজত শ্ৰেষ্ঠ আসনত উপবিষ্ট কৰা প্ৰকৃত দায়িত্ব। আমাৰ ভাৰতীয় সংস্কৃতি মতে, পিতৃৰ স্থান সকলো দেৱতাৰো উৰ্ধত, যেনে সংস্কৃত শ্লোক মতে "পিতা ধৰ্ম, পিতা স্বৰ্গ, পিতাহি পৰমাত্ম, পিতৰি সন্নপে, পিতাহি সৰ্ব দেৱতা" আমাৰ সমাজ হ'ল, পিতৃ প্ৰধান, পৰিয়ালৰ মূল মানুহ জনেই হ'ল পুৰুষ ৰূপী পিতৃজন। সন্তানক পোহপাল দিয়াৰ পৰা আৰম্ভ কৰি তেওঁলোকক সমাজক প্ৰতিষ্ঠিত কৰাৰ বাবে এজন পিতৃয়ে শৰীৰৰ এক বিন্দু তেজ থকা লৈকে মৃত্যুৰ আগ মুহূৰ্ত লৈকে সংগ্ৰাম কৰি যায়, তেওঁলোকৰ এই আত্মত্যাগৰ বিনিময়ত পিতৃয়ে সন্তানৰ পৰা একো নিবিচাৰে, তেওঁলোকে কেৱল সন্তানৰ মাজেদি নিজক চাব বিচাৰে, সন্তান বিলাক যেন মাক-বাপেকৰ দাপোন, নিজৰ আত্মপৰিচয় দাঙি ধৰিব বিচাৰে, সন্তানৰ মাজেদি মৃত্যুৰ পিছতো জীয়াই থাকিব বিচাৰে, অপূৰ্ণ স্বপ্ন পূৰণ কৰিব বিচাৰে আৰু তেওঁলোকে স্থাপন কৰা এচপৰা ইটাৰ ওপৰত সন্তানে এক বৃহৎ গৃহ গঢ়ি তোলাটো কামনা কৰে। লগতে সন্তানৰ পৰা বিচাৰে এক সঁচা নিভাজ মৰম চেনেহ । সেয়ে, সন্তানে পিতৃ দিৱসৰ দিনা নিজ হাতে বনোৱা সুন্দৰ সুন্দৰ উপহাৰ দি পিতৃক সন্তোষ্ট কৰা দৰকাৰ। পিতৃক লৈ বিভিন্ন পৰ্যটন থলী বা আকৰ্ষণীয় ঠাইত ভ্ৰমণ কৰাবলৈ লোৱা উচিত। পিতৃক কেন্দ্ৰ কৰি পৰিয়ালৰ ফটো তুলি স্মৃতি সজীৱ ৰখা উচিত বা পিতৃৰ সৈতে নানা ইনডোৰ গেম খেলি এই দিনটো ব্যস্ত হৈ পৰা উচিত। পিতৃয়ে ভাল পোৱা সুস্বাদু খাদ্য সন্তানে নিজে ৰান্ধি খুৱাই দিব লাগে আৰু একেলগে লগে ভাগে এসাজ খোৱা উচিত। খুবেই দুৰ্বিসহ যন্ত্ৰণাৰ বোজা কঢ়িয়াইয়ো দেউতাকে সন্তানৰ মুখত হাঁহি বিৰিঙাবলৈ হাঁহি উঠা কাহিনী (Laughing joke) উপস্থাপন কৰি আনন্দময় পৰিৱেশ সৃষ্টি কৰে। পিতৃ দিৱসৰ দিনা সন্তানে অতীতৰ সেই মধুৰ আনন্দময় পৰিৱেশৰ কথা পিতৃক সোঁৱৰাই দিয়া উচিত। পিতৃ দিৱসৰ দিনা উপযুক্ত সময় পিতৃক শ্ৰদ্ধা নিবেদন কৰা যিজনে জীৱনৰ সৰ্ব্বস্য উজাৰি দি সন্তানক গোটেই জীৱন কালত সমৰ্থন কৰে, মন-প্ৰাণ দি ভাল পায় আৰু শুদ্ধ ভাবে পৰিচালনা কৰে। সন্তানক মানুহ হিচাপে গঢ় দিবলৈ গৈ পিতৃয়ে জীৱনৰ সোণালী ক্ষণবোৰ হাঁহি মুখে ত্যাগ কৰে। সেয়ে, কেৱল এটা বিশেষ দিনত পিতৃৰ প্ৰতি দায়িত্ব পালন কৰিলেই নহ'ব, পিতৃক গোটেই জীৱনজুৰি অতি নিষ্ঠাৰে সেৱা-শুশ্ৰূষা কৰিলেহে পিতৃ ঋণ পৰিশোধ কৰিব পাৰি বুলি মনে ধৰে। সেই কাৰণে, বহুত চিন্তাশীল ব্যক্তি তথা লেখকে পিতৃৰ অৱদানৰ বিষয়ে তলত দিয়া ধৰণে মন্তব্য কৰিছে,

" Father just have a way of putting everything together." Erika Cosby

"Behind every great daughter is a truely amazing father." Unknown

" To her the name of father was another name for love." Fanny Fern

" No music is so pleasant to my ears as that word ---Father." Lydia Maria child.

পিতৃ বা Father সম্পূৰ্ণ অৰ্থ হ'ল, Fantastic, adviser, teacher, hero, exceptional and remarkable.কিন্তু কম সংখ্যক পিতৃ তথা মাতৃৰ বাহিৰে বেছি ভাগ পিতৃয়ে সন্তানৰ পৰা পায় অনাদৰ, অৱহেলা । অতি আধুনিকতাৰ ধামখুমিয়াত লৰা-ছোৱালীয়ে ইলেকট্ৰনিক মাধ্যমত ইমানেই ব্যস্ত হৈ পৰে যে মা-দেউতাৰ আশা -আকাংক্ষাক ভৰিৰে মোহাৰি কল্পনাৰ জগতত উটি ভাঁহি ফুৰে, নিজক প্ৰতিষ্ঠা কৰাৰ নামত বৃদ্ধ পিতৃক অসহায় অৱস্থাত পেলাই দূৰ লৈ আঁতৰি যায়, পিতৃক দেৱতাৰ আসনত বহুওৱাতো দূৰৰ কথা, সামান্য মানুহৰ শাৰীতো স্থান নিদিয়ে। গতিকে, সমাজৰ এই অধঃপতন তথা অৱক্ষয়ক ৰোধ কৰি মানৱতাবোধ থকা উচ্চ আদৰ্শ এখন সমাজ গঢ়িব পাৰিলেহে, য'ত পিতৃয়ে নিজৰ সন্তানৰ পৰা কমেও অকণ মান সঁহাৰি পায়, পায় সন্মান, পায় উচ্চ মৰ্যাদা, তেতিয়াহে পিতৃ-দিৱস উদ্‌যাপন কৰা অৰ্থপূৰ্ণ হ'ব। আন্তৰ্জাতিক পিতৃ দিৱস উপলক্ষে বিশ্ব বিশ্ৰুত আমেৰিকাৰ কনফেছনাল কবি শ্বীলভিয়া প্লেথে (Sylvia Plath)১৯৬২ চনৰ ১২ অক্টোবৰত ৰচনা কৰা "Daddy" নামৰ কবিতাটি বিশ্বৰ সৰ্বশ্ৰেষ্ঠ কালজয়ী কবিতা হিচাপে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। কবিতাটিৰ প্ৰথম শাৰী কেইটা তলত দিয়া হ'ল

" You do not do
You do not do
any more, black shoe
I which I have lived like a foot
for thirty years, poor and white
Barely daring to breathe or Achoof."

**Daddy written by Sylvia Plath**

পিতৃ দিৱস উপলক্ষে ৰচিত কেইবাটাও quotation ৰ ভিতৰত তলত উল্লেখ কৰা দুটি বিশ্ব বিখ্যাত quotation.

A good father is one
of the most unsung,
unpraised, unnoticed,
and yet one of the
most valuable assets
in our Society.

**Written by Billy Graham**

A father's tears and fears
are unseen, his love
in unexpressed, but
his care and protection
remains as pillars
of strength throughout
of lives.

**Written by Amath Vanniarachchy**

LONG LIVE FATHER'S DAY.

# অভিমানী প্ৰেমিক

**মৃদুলা বৰুৱা, তেজপুৰ**



সেইদিনা তোমাক দেখাৰ পৰাই
অতীত হৈ যোৱা আশাবোৰ
আকৌ যেন ফুলি উঠিছে,
কেনেকৈ সামৰি ৰাখোঁ
মতলীয়া বতাহ জাকত
বিলীন হোৱা
মোৰ উশাহবোৰক।
তুমিতো জানাই অনুৰাধা
মই বৰ অভিমানী,
এখন্তেক তোমাৰ সান্নিধ্য নাপালেইচোন
অভিমানেৰে ভৰি পৰে
মোৰ তেজাল বুকু।
এতিয়াও একেই আছোঁ জানা
তোমাৰ অভিমানী প্ৰেমিক জন।
সেইদিনা তোমাক দেখাৰ পৰাই,
সোণাৰুৰ হালধীয়া সুৱাসত
এৰাল চিঙি বৈ আহিছে
মোৰ প্ৰেম মিশ্ৰিত
অভিমানৰ এখনি নৈ।
চোৰাচোন টোপ-টোপকৈ সৰিছে
মোৰ বুকুৰ হালধীয়া বোৰ।
অনুৰাধা.....
আকৌ এবাৰ জীপাল কৰি দিয়ানা
মোৰ অতীত হৈ যোৱা আশাবোৰক।

# মই যেতিয়া সাৰে নাছিলো

**ডিম্বেশ্বৰ শৰণীয়া, বৰমা**



মই যেতিয়া সাৰে নাছিলো
মানুহবোৰে জুম বান্ধিছিল
ইটোৱে সিটোৰ কাণে কাণে
ফুচফুচাইচিল
জানোছা মোৰ টোপনি ভাঙে
আচলতে মই কোনোদিনে
সাৰ নাপাবলৈ মুদা চকুযুঁৰি
দেখি মানুহবোৰে বিশ্বাস
হেৰুৱাইছিল।

শ্ৰদ্ধাঞ্জলি

# 'গোল্ডেন ভয়েচ' মহানন্দ শৰ্মা

ৰীণা শৰ্মা



অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ সকলো নাট্যপ্ৰেমীয়ে 'গোল্ডেন ভয়েচ' আখ্যা দিয়া, পঞ্চাশৰ দশকৰ শেষৰ ফালে কলকাতাৰ বাংলা কাকত 'আজকাল'ত 'বাংলাৰ বক্ষে একটি নতুন তাৰা আসামেৰ মহানন্দ শৰ্মা' শিৰোনামাৰে নাট্যপ্ৰেমী কলকতাবাসীৰ হিয়াৰ আমঠু হোৱা মহানন্দ শৰ্মাই ২০১৫ চনৰ ২০ জুন তাৰিখে জীৱন নাটৰ সামৰণি মাৰিছিল। মহানন্দ শৰ্মা স্মৃতি হৈ গ'ল। ২০ জুন আকৌ এবাৰ শোকৰ দিন হিচাপে চিহ্নিত হ'ল।

জীৱনৰ মঞ্চত নিতৌ স্বভাৱসুলভ সৰলতাৰে আনৰ অন্তৰ জয় কৰিব পৰা অভিনেতাগৰাকী আছিল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ হিয়াৰ আমঠু। সেয়ে হয়তো ৰাভাদেৱৰ মৃত্যু দিৱসৰ দিনাই কলাগুৰুৰ স্নেহাস্পদ চিৰসেউজ মহানন্দ শৰ্মাই ইহ সংসাৰৰ পৰা গুচি গ'ল প্ৰিয়জনৰ ওচৰলৈ।

মহানন্দ শৰ্মা আছিল ভ্ৰাম্যমাণৰ গ্লেমাৰাচ শিল্পী, নায়কৰ নায়ক। নটসূৰ্য্য ফণী শৰ্মা, বিষ্ণু ৰাভা আদি কৰি যিসকলে অভিনয়ক মাত্ৰা প্ৰদান কৰি, অভিনয়ৰ যাত্ৰাপথ নিৰ্ণয় কৰিলে, সেইসকলৰ উত্তৰসুৰী আৰু এতিয়া পূৰ্বসুৰী। ফণী শৰ্মাৰ পিছতেই আছিল তেওঁৰ কণ্ঠ।

এওঁ আছিল বহুমুখী প্ৰতিভাৰ প্ৰতীক, এওঁৰ দৰে শিল্পী একক আৰু অনন্য। ত্যাগ আৰু সংগ্ৰাম তেওঁৰ শিল্পীসত্বাৰ ভূষণ হৈ পৰে। ভ্ৰাম্যমাণ নাটকক অসমৰ সাংস্কৃতিক মাৰ্গৰ এক অবিচ্ছিন্ন অংগৰূপে, এক সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাৰূপে গঢ়ি তোলাৰ পথত যিকেইগৰাকী পথিকৃৎ ব্যক্তিৰ নাম থ'ব লাগিব তাৰে সুদক্ষ অন্যতম হ'ল 'মহানন্দ শৰ্মা'। এওঁ মঞ্চ পৰিচালকো আছিল। সূক্ষ্ম বিশ্লেষণ, পাৰস্পৰিক সহযোগিতা, গভীৰ ৰসবোধ, স্বাভাৱিক স্বতঃস্ফূৰ্ত অভিনয়ৰ সাত্বিকতা, বুদ্ধিমত্তা, প্ৰত্যুৎপন্নমতিতা আদি গুণৰ গৰাকী আছিল চিৰসেউজ অভিনেতাজন। এওঁৰ অভিনয় শিকন পদ্ধতিটোৰেই আছিল বেলেগ। অখ্যাত অভিনয় শিল্পীক বিখ্যাত কৰাব পাৰিছিল।

এই পৃথিৱীত এনে সৌভাগ্যবান লোক হয়তো কমেই আছে, যাৰ শিক্ষা আৰু পেচা একেটাই। মহানন্দ শৰ্মা ইয়াৰ জলন্ত উদাহৰণ।

মহানন্দ শৰ্মাৰ মৃত্যুত ভ্ৰাম্যমাণ জগতৰ এটা পৃষ্ঠা নোহোৱা হৈ গ'ল। তেওঁ দি থৈ যোৱা অৱিহণাখিনিয়ে আমাৰ জাতীয় জীৱনক, নৱ-প্ৰজন্মক নিশ্চিতভাৱে আগুৱাই নিব।

আজি নৱতম মৃত্যু দিৱসত 'চিৰসেউজ' অভিনেতাগৰাকীলৈ শ্ৰদ্ধা নিবেদিছো।

# একুৰা জুইৰ বতাহ

ইভা গন্ধীয়া ফুকন



মেঘবোৰ টুকুৰা- টুকুৰ হৈছিল
বতাহজাকে দুৱাৰবোৰ খুলি দিছিল
পুখুৰীৰ পানীত পদুমে হাঁহিছিল
সেউজীয়া পাহাৰটোৰ ওপৰেৰে
উৰি গৈছিল এজাক বনৰীয়া হাঁহ
বাঁহৰ পাতত ঝৰ- ঝৰাই আছিল
এটা বিষন্ন গধূলিয়ে
নিঃসংগতাই যে কান্দিব পাৰে
সিদিনাহে বুজিছিলো
তোমাৰ হাতখন মেলি দিছিলা
আঙুলিৰ ফাকেৰে সৰি পৰিছিল মেঘৰ টুকুৰা
চকুত নাই তৰালীৰ আকাশ
ফুলৰ চানেকিত নাই চন্দ্ৰবদন গ্ৰাস
মনৰ তেজাল ছবি
ছাঁয়াগ্ৰহত মুঠেই নাই
কলমত নাই নীলা চিয়াঁহীৰ পিয়াহ
অভাজন ক্ষণৰ সৃষ্টি
এটি অভং কবিতাৰ আটাহ
ভয়- শংকা, প্ৰেম- স্পৰ্শ, দয়া- ঘৃণাৰ মাজত
তুমি নিজকে ৰমন কৰিছা
তোমাৰ হাতেৰে জৰাজীৰ্ণ ঘৰবোৰ গঢ়ি দিছিলা
চাকি জ্বলাই দিছিলা আন্ধাৰত
যদিও আমি ইজনে সিজনৰ মুখবোৰ
চিনি পোৱা নাছিলোঁ
একুৰা জুইৰ বতাহত
তুমি হাঁহি এটা মাৰিছিলা
মই তোমাক দেখিলোঁ
এজাক পখিলাৰ মাজত
তুমি কি বুজিবা
মৌ মিঠা ঔ ফুলিয়া
মন জুৰণীয়া মায়াৱী মনৰ প্ৰেম!!

# অৰুণিমা সিন্‌হা



জ্যোতিস্মিতা গোস্বামী শৰ্মা

মৰমৰ মইনাহঁত তোমালোকলৈ প্ৰেৰণা উৎস স্বৰূপ এটা কাহিনী আগবঢ়াইছো।

প্ৰবল ইচ্ছা শক্তি থাকিলে অনেক প্ৰত্যাহ্বান হেলাৰঙে অতিক্ৰম কৰি লক্ষ্যত উপনীত হ'ব পাৰি।

কথাযাৰ প্ৰমাণ কৰি দেখুৱাইছিল উত্তৰ প্ৰদেশৰ অৰুণিমা সিন্‌হা নামৰ চাবিশ বছৰীয়া যুৱতী এগৰাকীয়ে। কাহিনীটো এনেধৰণৰ-

২০১১চনৰ ঘটনা। ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ভলীবল খেলুৱৈ অৰুণিমা সিন্‌হাই লক্ষ্ণৌৰ পৰা দিল্লী অভিমুখী ৰে'ল যাত্ৰাত দুৰ্বৃত্তৰ কবলত পৰে। দুৰ্বৃত্তই ডবাটোৰ মানুহ বোৰৰ পৰা টকা -পইচা, আ-অলংকাৰ লুট পাত কৰাৰ পাছত অৰুণিমাৰ সোণৰ চেইন ডাল কাঢ়িব খুজিলে। তেওঁ সাহসেৰে প্ৰতিবাদ জনাই ক'লে- "এয়া মোৰ মায়ে দিয়া আশীৰ্বাদ, এইয়া কেৱল এডাল চেইন নহয়।" গতিকে অৰুণিমাই চেইন ডাল দিব নোৱাৰে। চেইন ডাল নোপোৱাত দুৰ্বৃত্তই তেওঁক চলন্ত ৰে'ল গাড়ীৰৰ পৰা বাহিৰলৈ দলিয়াই দিয়ে। চলন্ত ৰে'লৰ ইঞ্জিন আৰু চকাৰ মাতত অৰুণিমাৰ কাতৰ চিঞৰ কোনেও নুশুনিলে। পিছদিনা পুৱা মানুহে দেখা পায়। প্ৰথমে বৰেলীত তাৰ পাছত নতুন দিল্লীৰ অল ইণ্ডিয়া ইনষ্টিটিউট অব মেডিকেলত তেওঁক চিকিৎসা কৰে। চিকিৎসা লয়ত মানুহৰ মুখত শুনাকথাবোৰ অৰুণিমাই প্ৰত্যাহবান হিচাপে লৈ জীৱনটোক নতুনকৈ গঢ়িবলৈ সংকল্প লয়।

ঘটনাটোত অৰুণিমাই এটা ভৰি চিৰদিনৰ বাবে হেৰুৱায় আৰু আনটো ভৰিত লোৰ ৰড ভৰাব লগা হয়। হেৰোৱা ভৰিটোত কৃত্ৰিম ভৰি লগায়। অৰুণিমাই শাৰীৰিক প্ৰতিবন্ধকতা নেওচি এভাৰেষ্ট বিজয়ৰ সপোন দেখিছিল। দুতন্ত সাহস আৰু আত্মবিশ্বাসক সাৰথি কৰি তেওঁ এভাৰেষ্ট বিজয় কৰা বাচেন্দ্ৰী পালৰ পৰামৰ্শ, সহায় আৰু প্ৰশিক্ষণৰ বলত নিজকে পৰ্বত আৰোহণৰ বাবে সাজু কৰিলে। তেওঁৰ মনোবল বঢ়াই লক্ষ্যত উপনীত হ'বলৈ কৰ্কট ৰোগত আক্ৰান্ত ভাৰতীয় প্ৰখ্যাত ক্ৰিকেটাৰ যুৱৰাজ সিঙে ও অনুপ্ৰাণিত কৰিছিল প্ৰচণ্ড পৰিশ্ৰম, মনোবল আৰু কষ্টসহিষ্ণুতাৰ ফলত ২০১৩চনৰ ২১মে'ত কাঠমাণ্ডুৰ পৰা যাত্ৰা আৰম্ভ কৰি ৫২দিনৰ দিনা নিশা আঠ বজাত ৮৮৪৮ মিটাৰ উচ্চতাত অৱস্থিত মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি নিজৰ সপোন দিঠকত পৰিণত কৰিবলৈ সক্ষম হয়।

তেওঁৰ স্মৰণীয় সাফল্যৰ বাবে ২০১৪ চনত সন্মানীয় ৰাষ্ট্ৰপতি ডঃ এ পি জে আব্দুল কালামৰ পৰা "এমেজিং ইণ্ডিয়ান এৱাৰ্ড", ২০১৫ চনত সন্মানীয় ৰাষ্ট্ৰপতি প্ৰণৱ মুখাৰ্জীৰ পৰা "পদ্মশ্ৰী" আৰু "টেনজিং নাৰগে সন্মান" লাভ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই আৰুনিমা সিন্‌হাই লিখা কিতাপ উন্মোচন কৰি তেওঁক ভূয়সী প্ৰশংসা কৰে। নিজৰ অধ্যৱসায়ৰ জড়িয়তে অৰুণিমাই দুৰ্ভাগ্যক সৌভাগ্য লৈ ৰূপান্তৰিত কৰিলে।

তেওঁ নিজৰ প্ৰতিভাৰে জাতীয় জীৱনত জিলিকি উঠি আন সহস্ৰ জনৰ বাবে আশা আৰু প্ৰেৰণাৰ বতৰা দিছে। ষ্টিফেন হকিঙ নামৰ বিশেষ ভাৱে সক্ষম বিজ্ঞানী গৰাকীয়েও তেওঁৰ বিৰল প্ৰতিভাৰ জড়িয়তে সমগ্ৰ বিশ্ববাসীৰ হৃদয় জয় কৰিছিল। ষ্টিফেন হকিঙৰ ভাষাত "মোৰ অসুস্থ শৰীৰটো নহয় মোৰ বিজ্ঞানক চোৱা।"

**(দশম শ্ৰেণীৰ অৰুণিমা সিন্‌হা পাঠৰ আধাৰত)**

# ডিব্ৰুগড়ত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ কেন্দ্ৰীয় সেৱাৱাহিনীৰ ৰক্তদান দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- বিশ্ব ৰক্তদান দিবসৰ লগত সঙ্গতি ৰাখি ডিব্ৰুগড়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ কেন্দ্ৰীয় সেৱাৱাহিনীয়ে ১৪ জুনত অনুষ্ঠিত কৰে ৰক্তদান শিবিৰ । কেন্দ্ৰীয় সেৱাবাহিনীৰ ৰক্তদান কোষৰ উদ্যোগত ডিব্ৰুগড় জিলা শাখাৰ আতিথ্যত আৰু ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ ৰক্ত ভঁৰালৰ সহযোগত অনুষ্ঠিত হয় এই ৰক্তদান শিৱিৰ। "এটোপাল ৰক্তই কাৰোবা জীৱন ৰক্ষা কৰিব পাৰে" এই শ্লোগান আগত ৰাখিয়েই দিৱসটি উদযাপন কৰা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যুৱ সংগঠন সেৱাবাহিনীয়ে জন্মলগ্নৰে পৰা আৰ্তজনক ৰক্তদান কৰি মানৱ সেৱাৰ অনন্য নিদৰ্শন দাঙি ধৰি আহিছে। উল্লেখযোগ্য যে "বিশ্ব ৰক্তদাতা" দিৱসৰ লগত সংগতি ৰাখি এখনি সজাগতা অনুষ্ঠিত হয় । সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ প্ৰধান সম্পাদক তথা কেন্দ্ৰীয় সেৱা বাহিনী সচিব কুশল ঠাকুৰীয়া বাপ, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কাকতি, অধীক্ষক প্ৰশান্ত দিহিঙীয়া, অসম চিকিৎসা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত বিষয়া ডাঃ অদিতি শৰ্মা, নাচিং বিদ্যালয়ৰ অধ্যক্ষা ডাঃ মমী নেওগ আদি উপস্থিত থাকি ৰক্তদাতা সকলক উৎসাহিত কৰাৰ লগতে 'ৰক্তদান মহান দান' সন্দৰ্ভত বহুমূলীয়া বক্তব্য প্ৰদান কৰে। এই ৰক্তদান শিবিৰত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘই দহখন জিলা শাখাৰ প্ৰায় ৩০ গৰাকী ৰক্তদাতাই স্বইচ্ছাই অংশ গ্ৰহণ কৰি ৰক্তদান কৰে। এই শিবিৰত কেন্দ্ৰীয় সেৱাবাহিনী মুখ্য অধিনায়ক সঞ্জীৱ বৰা, সচিব বসন্ত কলিতা, ৰক্তকোষৰ সমন্বয়ক চন্দন বৰা, যুটীয়া সমন্বয়কদ্বয়, দ্বিপেন দাস আৰু চন্দন ভৰালী, ডিব্ৰুগড় মণ্ডলৰ মাণ্ডলিক সদস্য হিৰণ্য কোঁৱৰ, ডিব্ৰুগড় জিলা সভাপতি ধৰ্মেশ্বৰ গোঁহাই, সম্পাদক জিতেন হাজৰিকাকে প্ৰমূখ্য কৰি বহুকেইগৰাকী বিষয়ববীয়া সেৱক সেৱিকা উপস্থিত থাকে।

# মহানগৰীৰ অমৃত

শিক্ষাৰ্থীসকলক উদ্দেশ্যি কয় যে যোগাসনৰ অভ্যাসে শৰীৰ সুস্থ কৰি ৰাখে। শৰীৰ সুস্থ থাকিলেহে মন স্থিৰ হৈ থাকে। মানসিক ক্ষমতা তথা সন্তুলন যোগ অভ্যাসৰ জৰিয়তে আহৰণ কৰিব পাৰি। জিলা আয়ুক্তগৰাকীয়ে শিক্ষাৰ্থী সকলক যোগ শিবিৰত শিকি যোৱা আসনসমূহ ঘৰৰ জ্যেষ্ঠজনকো শিকাই - বুজাই দিয়াৰ বাবে আহ্বান জনায়। বিবেকানন্দ কেন্দ্ৰৰ যোগ প্ৰশিক্ষকসকলে শিকোৱা এই যোগ শিবিৰত কামৰূপ মহানগৰ জিলাৰ কেইবাখনো বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই যোগ শিবিৰত কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত ত্ৰিদিব কোঁৱৰ, ৰাষ্ট্ৰীয় আয়ুষ সঞ্চালকালয়ৰ সঞ্চালিকা ড° ইন্দ্ৰনোশী দাস, জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক প্ৰমুখ্যে সংশ্লিষ্ট বিভাগৰ অন্যান্য বিষয়া- কৰ্মচাৰী উপস্থিত থাকে।

# দৰঙৰ ১ নং

মন্দিৰে ৰাষ্ট্ৰীয় গুণগত মান্যতা নিশ্চিতকৰণৰ অধীনত ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছিল। উল্লেখ্য যে, চলিত বৰ্ষৰ মাৰ্চ মাহত এই স্বীকৃতি লাভৰ বাবে ১ নং অভয়পুখুৰী আয়ুষ্মান আৰোগ্য মন্দিৰৰ প্ৰয়োজনীয় অন্তিম পৰ্য্যায়ৰ মূল্যায়ন সম্পন্ন হৈছিল। নেচনেল হেলথ চিষ্টেম ৰিছ'ৰ্চ চেণ্টাৰৰ মূল্যায়নকাৰী দলে আহি চিকিৎসালয়খন পৰ্যবেক্ষণ কৰিছিল। স্বাস্থ্য কেন্দ্ৰটোৱে আগবঢ়োৱা সেৱা আৰু গুণগত মানৰ বাবে অন্তিম পৰ্য্যায়ৰ মূল্যায়নত ৮৬.৪৮% নম্বৰ লাভ কৰি এই সন্মান লাভ কৰিবলৈ সক্ষম হৈছে। এই ৰাষ্ট্ৰীয় স্বীকৃতি লাভৰ বাবে স্বাস্থ্য কেন্দ্ৰটোৰ বিষয়া কৰ্মচাৰীৰ লগতে জলজলী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, জিলা পৰ্য্যায়ৰ বিষয়া কৰ্মচাৰী আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ৰাজ্যিক পৰ্যায়ৰ বিষয়া কৰ্মচাৰী সকলক বিশেষ ধন্যবাদ জ্ঞাপন কৰিছে দৰং জিলাৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ৰমেশ চন্দ্ৰ ভট্টাচাৰ্যই। এই সন্মান লাভ কৰি দৰং জিলা স্বাস্থ্য বিভাগ তথা ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান দৰঙৰ প্ৰতিগৰাকী বিষয়া কৰ্মচাৰী আনন্দিত হৈছে ।

# ৰাজ্যৰ ৫গৰাকী সাহিত্যিকলৈ

বৰ্ষৰ সাহিত্য অকাডেমিৰ যুৱ বঁটা লাভ কৰা ছেল্ফ মেড ৰাণী বড়ো খৈৰাবাৰীৰ শিমলুবাৰী গাঁৱৰ দেহিৰাম বড়ো আৰু প্ৰমীলা বড়োৰ কন্যা। সম্প্ৰতি অসম বিধানসভা সচিবালয়ত অনুবাদক হিচাপে কৰ্মৰত লেখিকাগৰাকীয়ে এই বঁটা লাভ কৰাৰ বাতৰি বিয়পি পৰাৰ পাছতে খৈৰাবাৰী অঞ্চলত আনন্দমুখৰ পৰিৱেশৰ সৃষ্টি হয়। 'ডেৰাজে হলুদ ফুল, গতজন্মা' শীৰ্ষক কাব্য সংকলনৰ বাবে বাংলা ভাষা শিতানত সাহিত্য অকাডেমিৰ চলিত বৰ্ষৰ যুৱ পুৰস্কাৰ লাভ কৰিছে অসমৰ শিলচৰৰ সুতপা চক্ৰৱৰ্তীয়ে। ২০২২ চনত কলকাতাৰ এটা প্ৰকাশন গোষ্ঠীয়ে উক্ত গ্ৰন্থখন প্ৰকাশ কৰিছিল। অসম বিশ্ববিদ্যালয়ৰ পৰা বাংলা ভাষাত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা সুতপা চক্ৰৱৰ্তীয়ে ২০২২ চনত ডক্টৰেট ডিগ্ৰী লাভ কৰিছিল। উল্লেখ্য যে সাহিত্য অকাডেমিয়ে এইবাৰ মুঠ ২৩টা ভাষা শিতানত যুৱ পুৰস্কাৰ ঘোষণা কৰিছে। সংস্কৃত ভাষা শিতানত পৰৱৰ্তী সময়ত বঁটাপ্ৰাপকৰ নাম ঘোষণা কৰা হ'ব বুলি অকাডেমি কৰ্তৃপক্ষই বিবৃতিযোগে সদৰী কৰিছে। এইবাৰৰ যুৱ পুৰস্কাৰ শাখাৰ অসমীয়া ভাষা শিতানত জুৰী সদস্য হিচাপে আছিল ড° ৰত্নোত্তমা দাস, প্ৰণৱ কুমাৰ বৰ্মন আৰু ড° প্ৰাণজিৎ বৰা। একেদৰে বাংলা ভাষা শিতানত হৰ্ষ দত্ত, শুভ্ৰ বন্দোপাধ্যায় আৰু স্বপ্নময় চক্ৰৱৰ্তী জুৰী হিচাপে আছিল। বড়ো ভাষা শিতানত জুৰী আছিল ড° অজিত বড়ো, ড° ইন্দিৰা বড়ো আৰু শান্তিৰাম বসুমতাৰী। অনুৰূপ ধৰণে সাহিত্য অকাডেমিৰ চলিত বৰ্ষৰ শিশু সাহিত্য বঁটা মুঠ ২৪টা ভাষা শিতানত আগবঢ়োৱা হৈছে। ইয়াৰে অসমীয়া ভাষা শিতানত জুৰী হিচাপে মণিকুন্তলা ভট্টাচাৰ্য, অতনু ভট্টাচাৰ্য আৰু ড° মৃণাল চন্দ্ৰ কলিতা থকাৰ লগতে বড়ো ভাষা শিতানত অঞ্জলি বসুমতাৰী (অঞ্জু), অধ্যাপক ভৈৰবী বড়ো আৰু গোবিন্দ বড়ো জুৰী সদস্য হিচাপে আছে।

# নামৰূপত ২৫ মেগাৱাট

আৰু এইবোৰে দৈনিক ১৭৫ মেগাৱাট বিদ্যুৎ উৎপাদন কৰে। তেওঁ আৰু কয় যে শোণিতপুৰ জিলাৰ বৰচল্লা আৰু ধুবুৰী জিলাৰ খুদিগাঁও উন্নয়নৰ বিভিন্ন পৰ্যায়ত আছে আৰু কাৰ্বি আংলঙত ১০০০ মেগাৱাট ক্ষমতাসম্পন্ন সৌৰশক্তি প্ৰকল্প নিৰ্মাণৰ কাম অতি সোনকালে আৰম্ভ হ'ব বুলি কয়। আনহাতে, ১২০ মেগাৱাট শক্তিৰ নিম্ন কপিলী জলবিদ্যুৎ প্ৰকল্পই বিদ্যুৎ উৎপাদন আৰম্ভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়, ২০৩০ চনৰ ভিতৰত ৰাজ্যখনে প্ৰায় ৩, ০০০-মেগাৱাট সৌৰ উৎপাদিত বিদ্যুৎ উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি আস্থা প্ৰকাশ কৰে। 'সূৰ্য ঘৰ মফ্‌ট 'ৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা বিজুলী যোজনা মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ যোগ্য নৌসেনাসকলক তেওঁলোকৰ বিদ্যুৎ খৰচ কমোৱাৰ বাবে ইয়াক বাছি ল'বলৈ আহ্বান জনায়। এই অনুষ্ঠানত অসম কেবিনেটৰ মন্ত্ৰী বিমল বৰা, সঞ্জয় কিষাণ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলী, অসম বিধানসভাৰ সদস্য প্ৰশান্ত ফুকন, তৰংগ গগৈ, তেৰশ গোৱালা, বিনোদ হাজৰিকা, চক্ৰধৰ গগৈৰ লগতে একাধিক বিশিষ্ট ব্যক্তিও উপস্থিত থাকে।

# লাচিত বৰফুকন স্মাৰক

ঠিকাদাৰী প্ৰতিষ্ঠানে খৰতকীয়াকৈ কাম আগবঢ়াইছে আৰু তেওঁৰ লগত হোৱা আলোচনাত ডিচেম্বৰ মাহত সম্পূৰ্ণ কৰি তোলা হ'ব বুলি অৱগত কৰিছে। যোৰহাটত ঘোচ লৈ দুৰ্নীতি নিবাৰক শাখাৰ হাতত হাতে-লোটে গ্ৰেপ্তাৰ হোৱা বনাঞ্চলিক বিষয়াগৰাকী সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায় মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, দুই-এজনে বেয়া পালেও দুৰ্নীতি-অনিয়মৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি বাহাল থাকিব। কোনো কাৰণতে দুৰ্নীতিক প্ৰশ্ৰয় দিয়া নহ'ব। সেয়া লাগিলে শীৰ্ষ বিষয়াই হওক অথবা চতুৰ্থবৰ্গৰ কৰ্মচাৰীয়েই হওক। মুঠৰ ওপৰত দুৰ্নীতিৰ বিৰুদ্ধে অভিযান চলি থাকিব। মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণকালত ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগ, বিধায়ক সুশান্ত বুঢ়াগোহাঁই, তৰংগ গগৈ, ৰূপজ্যোতি কুৰ্মী আৰু টীয়ক সমষ্টিৰ বিধায়ক প্ৰতিনিধি বিকাশ শইকীয়াও মুখ্যমন্ত্ৰীৰ লগত উপস্থিত থাকে।

# NEET-UG পৰীক্ষাৰ

যে যিদিনা লোকসভা নিৰ্বাচনৰ ফলাফল আহি আছিল সেইদিনা সমগ্ৰ চৰকাৰী শাসন ব্যৱস্থা আৰু জনসাধাৰণ নিৰ্বাচনৰ ফলাফলত ব্যস্ত আছিল, একে সময়তে ফলাফল ঘোষণাই বিষয়াসকলৰ এক বৃহৎ দুৰ্নীতিৰ ইংগিত দিয়ে। ইয়াৰ লগতে এই পৰীক্ষাত দিয়া অতিৰিক্ত 'গ্ৰেচ নম্বৰ' সমূহ কি পদ্ধতিত দিয়া হ'ব সেই বিষয়ে তাৰ এক সুনিৰ্দিষ্ট প্ৰনালী, নকলৰ প্ৰাদুৰ্ভাৱ বন্ধ কৰিবলৈ আৰু প্ৰশ্ন কাকত ফাদিলৰ প্ৰাদুৰ্ভাৱ দুৰ কৰিবলৈ চৰকাৰী শিক্ষানুষ্ঠান সমূহত পৰীক্ষাৰ কেন্দ্ৰ স্থাপনৰ দাবী জনায় লগতে সমগ্ৰ পৰীক্ষা ব্যৱস্থাত বেচৰকাৰী সংস্থা সমূহ জড়িত কৰাৰ পৰিবৰ্তে সকলো কাম চৰকাৰী কৰ্মচাৰীৰ দ্বাৰা কৰিবলৈ দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, গুৱাহাটী মহানগৰ সহ সম্পাদক তানিছ দাস কাশ্যপে সমগ্ৰ NEET-UG ২০২৪ পৰীক্ষা প্ৰক্ৰিয়াটোৰ এক নিৰপেক্ষ তদন্ত দাবী জনাই কয় যে এইবাৰ পৰীক্ষাত দেখা দিয়া এই বিসংগতিয়ে ছাত্ৰ-ছাত্ৰী সকলৰ মনত এক নিৰাশাৰ ভাবৰ সৃষ্টি কৰিছে আৰু সমগ্ৰ পৰীক্ষাৰ প্ৰক্ৰিয়াটোৰ প্ৰতি ছাত্ৰ সমাজৰ বিশ্বাসযোগ্য হ্ৰাস কৰিছে। গতিকে ছাত্ৰ সমাজৰ শৈক্ষিক ভৱিষ্যত জড়িত হৈ থকা এই সমগ্ৰ পৰীক্ষা প্ৰক্ৰিয়াটোৰ চিবিআইৰ দ্বাৰা তদন্ত কৰি সমগ্ৰ ঘটনাৰ এক উচ্চস্তৰীয় তদন্তৰ দাবী জনায়।

# 'নীট' দুৰ্নীতিত গ্ৰেপ্তাৰ

কৰিছে ৯ কোটি টকাৰ বেংক চেক। ইয়াৰ উপৰি আৰক্ষীয়ে তদন্ত চলাই এটা পেনড্ৰাইভো উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। গুজৰাটৰ গোত্ৰাৰ মূল অভিযুক্ত তুছাৰ ভাটৰ গাড়ীত আৰক্ষীয়ে ৭ লাখ টকা পোৱাৰ উপৰি ক'চিং চেণ্টাৰৰ সঞ্চালক পৰশুৰাম ৰয়ৰ কাৰ্যালয়ৰ পৰা আৰক্ষীয়ে জব্দ কৰিছে ২.৫০ কোটি টকাৰ চেক। এই ধন 'নীট' পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীয়ে উৎকোচ হিচাপে দিছিল বুলি আৰক্ষীয়ে ধাৰণা কৰিছে। ইয়াৰপূৰ্বে ৰছ গৰাকী শিক্ষাৰ্থীয়ে পৰশুৰাম ৰয়ক 'নীট' পৰীক্ষাৰ 'এনছাৰ শ্বীট' পাবলৈ ১০ লাখ টকা আদায় দিছিল বুলি এক প্ৰতিবেদনত প্ৰকাশ পাইছিল।

## ENGLISH NEWS SECTION

# Labour Welfare Department and The Hans Foundation Sign MoU for Mobile Medical Units in Assam Tea Gardens

Guwahati,RB News-The Labour Welfare Department and The Hans Foundation have signed a Memorandum of Understanding (MoU) to launch the Hans Mobile Medical Unit Project in Assam's tea garden areas. The signing ceremony, held at the Minister's Conference Hall, was attended by Hon'ble Minister for Tea Tribe and Labour Welfare, Sanjay Kishan. The event began with an introduction to The Hans Foundation's initiatives, particularly in the North East. Sanjay Kishan highlighted the project's importance, stating, "This partnership will bring essential various services directly to tea garden workers, improving their health and overall well-being." The Hans Mobile Medical Unit Project will deploy medical vans with



healthcare professionals to provide regular check-ups, treatments, and preventive care to tea garden workers and their families. This initiative aims to enhance healthcare access and outcomes in the region.

# Australian Consul General in Kolkata, Mr. Hugh Boylan meets Governor



Guwahati,RB News- Australian Consul General in Kolkata, Mr. Hugh Boylan, met Assam Governor Shri Gulab Chand Kataria at Raj Bhavan today and held discussion on issues of mutual interests like agriculture, dairy, minerals, education, green energy etc. Considering the large number of Indian students pursuing their studies in Australian universities, the duo talked on the academic ties between India and Australia. Governor Shri Kataria said that the academic relations should be a potential tool to enhance India-Australia relations as he advocated for more MoUs between institutions of higher education between India and Australia. The Governor also said that the nursing professionals of India are also playing a crucial role in the health sector of Australia. He also stressed on the need of expanding this tie.The Governor also talked with the Australian Envoy on green energy and how the Government of Assam is gradually shifting towards a more green environment by changing its gear away from fossil fuel.

# Tim Southee reprimanded for violating the ICC Code of Conduct



RB News-New Zealand's Tim Southee received an official warning from the ICC for a Level 1 offence under the Code of Conduct. The incident occurred during the match against the West Indies in the T20 World Cup. Southee has accepted the sanction imposed by match referee David Boon. He will receive one demerit point on his disciplinary record.

# Actor Darshan arrested in murder case



RB News-Kannada actor Darshan, popularly known as 'Challenging Star', has been arrested in Mysuru in connection with the murder of Renuka Swamy, who allegedly sent inappropriate messages to actress Pavithra Gowda. As per reports, during the interrogation, police found that Renuka was murdered based on the instructions given by Darshan. Darshan was reportedly involved in an affair with Pavithra. The police have so far arrested over 15 people in connection with the murder, including Pavithra Gowda. The investigation has unveiled a chilling conspiracy involving several prominent figures from Darshan's fan association.

# Nepal lose to South Africa by 1 run



RB News-South Africa defeated Nepal by one run in their T20 World Cup 2024 match on Saturday. South Africa won the match after effecting a run-out on the last ball. South Africa scored 115/7 in 20 overs and restricted Nepal to 114/7. It is the first one-run win by any team in T20 World Cup 2024.

# Pakistan crash out of T20 World Cup 2024



RB News-Pakistan have crashed out of the T20 World Cup 2024. This comes after the Group A match between Ireland and USA got washed out, with both the teams sharing a point each. USA have qualified for the Super Eight stage with five points from four matches. India qualified for the Super Eight stage after registering their third straight win.

# New Zealand knocked out of T20 World Cup 2024



RB News-New Zealand have been knocked out of T20 World Cup 2024 following Afghanistan's seven-wicket win over PNG in a Group C match. Afghanistan and West Indies have qualified for the Super 8 stage from the group. New Zealand are placed last on the points table and cannot reach top two even if they win their remaining two matches.

# নিয়ন্ত্ৰণ হেৰুৱাই অলকানন্দা নদীত পৰিল বাহন

ৰঙিলী বাৰ্ত্তাসেৱা- উত্তৰাখণ্ডত সংঘটিত হয় এক শোকাৱহ পথ দুৰ্ঘটনা। ঘাইপথটোৰ পৰা অলকানন্দা নদীৰ দাঁতিৰ ২৫০ মিটাৰ তলত যাত্ৰীবাহী ট্ৰেভেলাৰ এখন বাগৰি পৰি ভয়াৱহ দুৰ্ঘটনাটো সংঘটিত হৈছে। ২৬জন যাত্ৰী কঢ়িওৱা ট্ৰেভেলাৰ খন ২৫০ মিটাৰ তলত বাগৰি পৰাত ১৪ জনলোকৰ মৃত্যু হৈছে আৰু বাকী যাত্ৰীসকল গুৰুতৰভাৱে আহত হৈছে। গুৰুতৰভাৱে আহত যাত্ৰীসকলক স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় প্ৰশাসন আৰু এছডিআৰএফৰ দল উদ্ধাৰ অভিযানত নামি পৰে। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামিয়ে এই শোকাৱহ দুৰ্ঘটনাটোৰ তথ্য প্ৰকাশ কৰি স্থানীয় প্ৰশাসন আৰু এছডিআৰএফক অভিযান চলাবলৈ নিৰ্দেশ দিছে। আহতসকলক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা সেৱা আগবঢ়াবলৈও মুখ্যমন্ত্ৰী গৰাকীয়ে নিৰ্দেশ দিছে। ইপিনে জিলা দণ্ডাধীশক এই ঘটনাৰ তদন্তৰো নিৰ্দেশ দিছে মুখ্যমন্ত্ৰীগৰাকীয়ে। আঢ়েশ মিটাৰ তলত বাগৰি পৰাৰ বাবে বাহনখনত থকা আটাইকেইজন যাত্ৰীৰেই অৱস্থা সংকটজনক হৈ পৰে। ঘটনাস্থলীতে ৮জন লোকে প্ৰাণ হেৰুওৱাৰ বিপৰীতে বাকী ৬জনক উদ্ধাৰ কৰাৰ পাছত চিকিৎসালয়লৈ লৈ যোৱাৰ পথত মৃত্যু ঘটে। স্থলপথেৰে এম্বুলেঞ্চেৰে সংকটজনক অৱস্থাত সামান্যভাৱে আহত জনক স্থানীয় হাস্পতাললৈ নিয়াৰ বিপৰীতে ৭ জনক হেলিকপ্টাৰেৰে এইমছলৈ নিয়া হৈছে। এই যাত্ৰীসকল দিল্লী-নয়দাৰ পৰা আহিছিল বুলি তথ্যত প্ৰকাশ পাইছে। ইপিনে



এই দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰি গভীৰ শোক প্ৰকাশ কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। ইপিনে, এই শোকাবহ দুৰ্ঘটনাত প্ৰাণহানি হোৱা লোকৰ প্ৰতিটো পৰিয়াললৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰিছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286